সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩২ বছৰ, ৪০ সংখ্যা, ১৬ আহিন, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 40 Date of Publication- 4 October 2026 Rs. 10.00/-

## এছিয়ান গেমছত স্বৰ্ণ পদক লাভ অসম কন্যা লাভলীনাৰ



ৰঙিলী বাৰ্তাসেৰা- নিজৰ জন্মদিনৰ দিনাই আইচি-নাগ'য়া এছিয়ান গেমছৰ বক্সিঙত স্বৰ্ণ জয় অসম কন্যা লাভলীনা বৰগোহাঁইৰ। ৭৫ কিলোগ্ৰাম শাখা ফাইনেলত চীনৰ শক্তিশালী প্ৰতিদ্বন্দ্বী ঝিয়ি বাওক ৫-০ ব্যৱধানত পৰাস্ত কৰি লাভলীনাই অৰ্জন কৰে এই ঐতিহাসিক সফলতা। আৰম্ভণিৰে পৰা অতি আত্মবিশ্বাসী হৈ থকা ভাৰতীয় বক্সাৰগৰাকীয়ে এক বৃহৎ যুঁজৰ অন্তত বিচাৰকৰ সৰ্বসম্মতিক্ৰমে জয়ৰ মুকুট পিন্ধে। এই জয়েৰে বক্সাৰ লাভলীনাই এক নতুন ইতিহাসৰ সূচনা কৰিলে। এছিয়ান গেমছত একেৰাহে দুবাৰ পদক জয় কৰা ভাৰতৰ প্ৰথমগৰাকী মহিলা হিচাপেও খ্যাতি অৰ্জন কৰে লাভলীনাই। ২০১৪ চনৰ পিছত এছিয়ান গেমছৰ মহিলা বক্সিং ইভেন্টত সোণৰ পদক লাভ কৰা দ্বিতীয়গৰাকী ভাৰতীয় বক্সাৰ হিচাপে পৰিগণিত হ'ল লাভলীনা। ইয়াৰ পূৰ্বে ২০১৪ চনত কিংবদন্তি বক্সাৰ মেৰী কমে এই কৃতিত্ব অৰ্জন কৰিছিল। ওপজা দিনটোতে স্বৰ্ণ জয় কৰি লাভলীনাই কেৱল নিজৰ বাবেই নহয়, সমগ্ৰ দেশবাসীৰ বাবে দিনটোক এক স্মৰণীয় আৰু অপূৰ্ব মুহূৰ্তলৈ পৰিণত কৰিলে। আৰম্ভণিৰে পৰাই নিজৰ উচ্চতাৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰি প্ৰথম ৰাউণ্ডতেই নিখুঁত জেব আৰু কাউণ্টাৰ পাঞ্চেৰে ৩-২ ব্যৱধানত নিয়ন্ত্ৰণ লয় লাভলীনাই। দ্বিতীয় ৰাউণ্ডত ভাৰতীয় তাৰকাগৰাকী আৰু অধিক আক্ৰমণাত্মক হৈ পৰে। বাও আগবাঢ়ি অহাৰ লগে লগে লাভলীনাই এটা সঠিক ষ্ট্ৰেইট ৰাইট পাঞ্চ মৰাৰ উপৰি দুৰ্দান্ত ফুটৱৰ্কেৰে ক্ষিপ্ৰতাৰে ঠাই সলনি কৰি স্ক'ৰব'ৰ্ডত ৪-১ ব্যৱধানত অগ্ৰগতি লাভ কৰে। ফলত বিচাৰকৰ স্ক'ৰকাৰ্ডত ২-০ ব্যৱধানত আগবাঢ়ি থাকে লাভলীনা। চূড়ান্ত তথা তৃতীয় ৰাউণ্ডত চীনা বক্সাৰগৰাকীয়ে নকআউট পাঞ্চেৰে তীব্ৰ আক্ৰমণ চলাইছিল যদিও লাভলীনাই শক্তিশালীভাৱে প্ৰতিহত কৰিবলৈ সক্ষম হয়। সকলো আক্ৰমণ দক্ষতাৰে ওফৰাই লাভলীনাই নিখুঁতভাৱে প্ৰতিদ্বন্দ্বীৰ ( তিনিপৃষ্ঠাত চাওক)

## কলাক্ষেত্ৰত অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদাৰ দিন উদযাপন আছুৰ




ৰঙিলী বাৰ্তাসেৰা- সদৌ অসম ছাত্ৰ সন্থাৰ (আছু) উদ্যোগত ৩ অক্টোবৰত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত 'অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদাৰ দিন' উলহ-মালহেৰে উদযাপন কৰা হয়। উল্লেখ্য যে, ২০২৪ চনৰ ৩ অক্টোবৰত কেন্দ্ৰীয় কেবিনেটে অসমীয়া ভাষাক 'ধ্ৰুপদী ভাষা' হিচাপে স্বীকৃতি প্ৰদান কৰিছিল। সেয়েহে সদৌ অসম ছাত্ৰ সন্থাই '৩ অক্টোবৰ'ৰ দিনটোক প্ৰতি বছৰে "অসমীয়া ভাষাৰ ধ্ৰুপদী ( দুই পৃষ্ঠাত চাওক)

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয় উদ্বোধন কৰিব জাগীৰোড ছেমিকণ্ডাক্টৰ প্ৰকল্প



ৰঙিলী বাৰ্তাসেৰা- শীঘ্ৰে মুকলি হ'ব জাগীৰোড ছেমিকণ্ডাক্টৰ প্ৰকল্প । অহা ডিচেম্বৰ-জানুৱাৰী মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জাগীৰোডত মুকলি কৰিব ছেমিকণ্ডাক্টৰ প্ৰকল্প। শনিবাৰে জাগীৰোডৰ নিৰ্মীয়মান ছেমিকণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই মন্তব্য কৰে । শনিবাৰে জাগীৰোডত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিবলৈ যোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে ছেমিকণ্ডাক্টৰ প্ৰকল্প সন্দৰ্ভত সবিশেষ ব্যাখ্যা কৰি সংবাদ মাধ্যমত উল্লেখ কৰে যে বিশ্বৰ সৰ্ববৃহৎ ছেমিকণ্ডাক্টৰ এছেম্বলিং আৰু টেষ্ট ফেচিলিটী হ'ব এই প্ৰকল্পত। কেতিয়ালৈ জাগীৰোড ( দুই পৃষ্ঠাত চাওক)

## অসমত ইউচিচি ৰূপায়ণৰ পথ মুকলি

ৰঙিলী বাৰ্তাসেৰা- অসমত সম নাগৰিক সংহিতা (ইউ চি চি) ৰূপায়ণৰ পথ মুকলি হ'ল। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে সমনাগৰিক সংহিতা বিধেয়কত প্ৰয়োজনীয় অনুমোদন জনাইছে। ইয়াৰ লগে লগে উত্তৰাখণ্ড আৰু গুজৰাটৰ পাছত দেশৰ তৃতীয়খন ৰাজ্য হিচাপে অসমত ইউচিচি বলবৎ হ'ব। ৰাষ্ট্ৰপতি মুৰ্মুৱে যোৱা ২৯ ছেপ্টেম্বৰত অসমৰ সমনাগৰিক সংহিতা বিধেয়কত প্ৰয়োজনীয় স্বাক্ষৰ কৰে। এতিয়া ৰাজ্য চৰকাৰে ইউচিচি কাৰ্যকৰী কৰাৰ বাবে প্ৰয়োজনীয় বিধি প্ৰস্তুত আৰু অধিসূচনা জাৰি কৰিব পাৰিব। এই সাহসী-প্ৰগতিশীল-সুদূৰপ্ৰসাৰী আইনখনৰ মূল ভিত্তি হৈছে সমঅধিকাৰ- সমন্যায়-সংবিধানৰ সমমূল্যবোধ। ইউচিচি কাৰ্যকৰী হোৱাৰ পাছতে অসমত কোনো ব্যক্তিৰ অধিকাৰ ব্যক্তিগত বা ধৰ্মীয় বিধানৰ ভিন্ন ব্যাখ্যাৰ ওপৰত নিৰ্ভৰশীল নহ'ব। বৰঞ্চ নিশ্চিত হ'ব সকলোৰে বাবে একেই আইনী সুৰক্ষা আৰু একেই ন্যায় বিচাৰৰ ব্যৱস্থা। উল্লেখ্য যে যোৱা ২৭ মে'ত অসম বিধানসভাত ধ্বনি ভোটৰ জৰিয়তে সমনাগৰিক সংহিতা বিধেয়ক গৃহীত হৈছিল। ইয়াৰ জৰিয়তে বিবাহ, বিবাহ বিচ্ছেদ, উত্তৰাধিকাৰ, ভৰণ-পোষণ, লিভিং আদিৰ দৰে বিষয়সমূহত এক উমৈহতীয়া আইনী পৰিকাঠামো প্ৰৱৰ্তনৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। অৱশ্যে



ৰাজ্যৰ খিলঞ্জীয়া জনজাতীয় সমাজসমূহৰ পৰম্পৰা, সামাজিক গাঁথনি আৰু স্বনিয়ন্ত্ৰিত সাংস্কৃতিক ব্যৱস্থাৰ প্ৰতি সমান সন্মান প্ৰদৰ্শনেৰে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে অসম চৰকাৰে। সেই অনুসৰি সংবিধানৰ ৩৪২নং অনুচ্ছেদৰ অধীনত অন্তৰ্ভুক্ত জনজাতীয় সমাজক ইয়াৰ আওতাৰ পৰা বাহিৰত ৰখা হৈছে। ইউচিচিয়ে বিবাহ, বিবাহ বিচ্ছেদ, উত্তৰাধিকাৰ, ভৰণ-পোষণৰ দৰে চিন্তনীয় বিষয়ত সকলো নাগৰিকক আইনৰ দৃষ্টিত সমান মৰ্যাদা লাভ কৰাটো নিশ্চিত কৰিব। সামগ্ৰিকভাৱে বিশেষকৈ ৰাজ্যৰ নাৰীশক্তিৰ সুৰক্ষা, মৰ্যাদা আৰু অধিকাৰ নিশ্চিত কৰাৰ ক্ষেত্ৰত এক মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'বলগীয়া ইউচিচিৰ দ্বাৰা বিবাহ বিচ্ছেদ ব্যৱস্থা সৰলীকৰণ হ'ব। পৰকীয়া সম্পৰ্ক, নিষ্ঠুৰ ব্যৱহাৰ, দুবছৰৰ অধিক সময় পৰিত্যাগ, অন্য ধৰ্মলৈ ধৰ্মান্তৰকৰণ, মানসিক অসুস্থতা, ইউচিচি উলংঘা কৰি পুনৰ বিবাহ আদিৰ (দহ পৃষ্ঠাত চাওক)

# এছিয়ান গেমছত ভাৰতীয় পুৰুষ হকী দলৰ স্বৰ্ণ জয়



ৰঙিলী বাৰ্তাসেৱা- এছিয়ান গেমছত ভাৰতীয় খেলুৱৈৰ দপদপনি অব্যাহত আছে। এছিয়ান গেমছত ভাৰতীয় মহিলা হকী দলৰ পাচতে ভাৰতীয় পুৰুষ হকী দলেও স্বৰ্ণ পদক অৰ্জন কৰিলে। শুকুৰবাৰে ভাৰতীয় মহিলা হকী দলটোৱে স্বৰ্ণ পদক লাভ কৰাৰ পিছত শনিবাৰে ভাৰতীয় পুৰুষ দলটোৱেও সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। শুকুৰবাৰে ভাৰতীয় মহিলা হকী দলটোৱে ৪৪ বছৰৰ পাছত এছিয়ান গেমছত স্বৰ্ণ পদক লাভ কৰি ইতিহাস ৰচনা কৰিছিল। ইয়াৰ পূৰ্বে ভাৰতে ১৯৮২ চনত মহিলা হকীত সোণৰ পদক জয় কৰিছিল। শনিবাৰে অনুষ্ঠিত পুৰুষৰ ফাইনেল মেচখনত ডিফেণ্ডিং চেম্পিয়ন ভাৰতে মালয়েছিয়াক ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি খিতাপ অক্ষুণ্ণ ৰাখে। ভাৰতে স্বৰ্ণপদক লাভ কৰাই নহয়, ২০২৮ চনত লছ এঞ্জেলছত হ'বলগীয়া অলিম্পিকলৈও পোনপটীয়াকৈ যোগ্যতা অৰ্জন কৰে। ফাইনেল মেচখনত ভাৰতীয় দলটোৱে প্ৰথমৰ পৰাই মালয়েছিয়াৰ বিপক্ষে আগ্ৰাসী খেল খেলে। খেলৰ ১১ মিনিটত অধিনায়ক হৰমনপ্ৰীত সিঙে গ'ল স্ক'ৰ কৰি ভাৰতীয় দলটোক গুৰুত্বপূৰ্ণ অগ্ৰগতি প্ৰদান কৰে। অৱশ্যে ১৪ মিনিটত মালয়েছিয়াই গ'ল স্ক'ৰ কৰি সমতা স্থাপন কৰিছিল যদিও ২৩ মিনিটত যুগৰাজ সিঙে গ'ল স্ক'ৰ কৰি ভাৰতীয় দলটোক ২-১ত অগ্ৰগতি প্ৰদান কৰে। ইপিনে, সহঃ অধিনায়ক হাৰ্দিক সিঙে ৪২ মিনিটত (দহ পৃষ্ঠাত চাওক)

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়

ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ মুকলি হ'ব বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ ইতিমধ্যে এটা ক্লিন ৰুম নিৰ্মাণ সম্পূৰ্ণ হৈছে। দ্বিতীয়টো ক্লিন ৰুম নিৰ্মাণ কাৰ্য চলি আছে। প্ৰকল্পটো নিৰ্মাণ সম্পূৰ্ণ হ'লে বিশ্বৰ ভিতৰত সৰ্বাধিক ছেমিকণ্ডাক্টৰ উৎপাদনৰ কৰা চেষ্টাৰ হিচাপে পৰিণত হ'ব জাগীৰোড ছেমিকণ্ডাক্টৰ প্ৰকল্প। তেওঁ লগতে কয়, জাগীৰোড ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ উদ্বোধন ডিচেম্বৰ বা জানুৱাৰী মাহত কৰা হ'ব। উদ্বোধন কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নিমন্ত্ৰণ জনোৱা হ'ব। যিহেতু এই প্ৰকল্পত প্ৰতিদিনে প্ৰায় ৪৮ মিলিয়ন ছেমিকণ্ডাক্টৰ উৎপাদন হ'ব। যিটো বিশ্বৰ ভিতৰতে ডাঙৰ আৰু আটাইতকৈ বেছি উৎপাদন কৰা কেন্দ্ৰ হিচাপে পৰিণত হ'ব। জাগীৰোড ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ উদ্বোধনে দেশৰ বাবে গৌৰৱৰ ক্ষণ হ'ব। উল্লেখ্য যে, ১৭০ একৰ ভূমিত প্ৰায় ২৭ হাজাৰ কোটি ব্যয়েৰে জাগীৰোডত ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ নিৰ্মাণ কাৰ্য চলি আছে। আনহাতে এই প্ৰকল্প সম্পূৰ্ণ হলে ছেমি কণ্ডাক্টৰ প্ৰজেক্টত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ৩০ হাজাৰ লোকে কৰ্মসংস্থাপন লাভ কৰিব বুলি আশা কৰা হৈছে।

# কলাক্ষেত্ৰত অসমীয়া ভাষাৰ ধ্ৰুপদী

মৰ্যাদাৰ দিন" ৰূপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। অনুষ্ঠানটোত আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, বিশিষ্ট সাহিত্যিক ড° কুলধৰ শইকীয়াদেৱকে ধৰি বহু কেইজন বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানত "অসমীয়া ভাষালৈ ধ্ৰুপদী মৰ্যাদাঃ স্বীকৃতিৰ ইতিহাস, অধিকাৰৰ পৰিসৰ আৰু পৰৱৰ্তী কৰ্তব্য" - শীৰ্ষক বিষয়ত বক্তব্য প্ৰদান কৰে সাহিত্য একাডেমি বঁটা প্ৰাপক বিশিষ্ট সাহিত্যিক ড° কুলধৰ শইকীয়াদেৱে। ড° কুলধৰ শইকীয়াদেৱে বক্তব্যত অসমীয়া ভাষালৈ ধ্ৰুপদী মৰ্যাদাৰ পৰিক্ৰমা আৰু এই বিষয়ত ভৱিষ্যত কৰণীয় সন্দৰ্ভত সুন্দৰ বাখ্যা আগবঢ়ায়। ভাষাটোৱে ধ্ৰুপদী স্বীকৃতি লাভৰ আঁৰৰ বিষয়সমূহৰ ওপৰত চমু আলোকপাত কৰি বিশিষ্ট সাহিত্যিক ড° শইকীয়াই কয় যে অসমীয়া ভাষাটোক লৈ পণ্ডিতসকলে বিভিন্ন সময়ত বহু কথাই কৈছিল। কিছুসংখ্যকে পাবত গজা ভাষা বুলি কৈছিল। কথাবোৰ যি ধৰণে গুৰুত্ব দিব লাগিছিল সেয়া দিয়া হোৱা নাছিল। কিন্তু 'ধ্ৰুপদী' ভাষাৰ স্বীকৃতিয়ে উক্ত লোকসকলৰ লগতে সমগ্ৰ দেশবাসীক 'অসমীয়া' ভাষাৰ গুৰুত্বক জনাই দিলে। 'ধ্ৰুপদী' স্বীকৃতিৰ এইখিনিয়ে লাভ বুলি মন্তব্য কৰি তেওঁ কয় যে মোৰ ভাষাটো ওপঙি ফুৰা ভাষা যে নহয় সেয়া স্পষ্ট হৈছে। এই স্বীকৃতিৰ পাছতো অথবা সাংবিধানিক সুৰক্ষা পোৱাৰ পাছতো ভাষা এটা মানুহে ক'ব লিখিব আৰু পঢ়িব লাগিব তেতিয়াহে ভাষাটো যুগমীয়া হ'ব বুলিও তেওঁ লগতে কয়। 'ধ্ৰুপদী' স্বীকৃতিৰ জৰিয়তে ভাষাটোৰ পৰা কিদৰে ভৱিষ্যতে আগুৱাই যাব পাৰি সেই সন্দৰ্ভতো তেওঁ আলোকপাত কৰে। বিশিষ্ট সাহিত্যিকগৰাকীয়ে কয় যে ভাষাটোৰ প্ৰাচীনতাখিনি দেশৰ মানুহে গম পালে। এই প্ৰাচীনতাক সমল হিচাপে লৈ আগুৱাই যাব লাগিব। দেশত থকা সকলো কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত তাত একোখনকৈ অসমীয়া ভাষাৰ নামত আসন প্ৰতিষ্ঠা হ'ব লাগে। প্ৰাচীন অসমীয়া গ্ৰন্থবোৰ বিভিন্ন ভাষালৈ অনুবাদ কৰি বিভিন্ন ঠাইলৈ নিব লাগে। অকল সেয়াই নহয় ভাষাৰ সৈতে জড়িত থকা অৰ্থনীতিৰ ওপৰতো তেওঁ চমু আলোকপাত কৰে। অনুষ্ঠানটোত আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্যই কয় যে অসমীয়া ভাষাৰ সংকটৰ কেবাটাও মুহূৰ্ত আমি পাৰ কৰি আহিছো সেয়া ইতিহাসৰ পাত লুটিয়ালেই গম পোৱা যায়। ৩৪টা বছৰ এটা জাতিয়ে নিজৰ ভাষা নোহোৱাকৈ চলি আছিল। সেয়া এটা বৃহৎ অন্যায় আছিল। সেই সময়ছোৱাত আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই আমাৰ ভাষাটোক সুৰক্ষিত কৰি ৰাখিছিল। এই কথা আজিৰ তাৰিখত ৰোমন্থন কৰাৰ প্ৰয়োজন। 'ধ্ৰুপদী' ভাষাৰ মৰ্যাদা পোৱাৰ পাছত এতিয়া সকলো দিশতে চিন্তন কৰ্ষণ আৰু মন্থনৰ প্ৰয়োজন আছে। আছুৰ সভাপতি উৎপল শৰ্মাই কয় যে ধ্ৰুপদী ভাষাৰ মৰ্যাদাই দীৰ্ঘদিন ধৰি অসমীয়াই সন্মুখীন হৈ অহা মনঃস্তাত্বিক পৰাধীনতাৰ পৰা মুক্ত কৰিলে। আমাৰ ভাষাটো যে কাৰো ঠাল-ঠেভুলি নহয় সেয়া দেশৰ মানুহৰ মাজত স্বীকৃতি পালে। অৱশ্যে এই মৰ্যাদাক জাতিটোৱে যিদৰে উদযাপন কৰিব লাগিছিল সেই ধৰণে কৰা নাই বুলি আক্ষেপেৰে উল্লেখ কৰি তেওঁ কয় যে এই উদযাপনক সকলোৱে নিজৰ স্বীকৃতি বুলি লৈ অন্তৰৰ পৰা কৰিব লাগিব। আছুৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে অসমীয়া ভাষাৰ লগতে বিভিন্ন ভাষা-উপ-ভাষাক লৈ অসমীয়া ভাষাৰ ভেটি গঠন কৰিব লাগিব বুলি কয়। অনুষ্ঠানটোৰ সৈতে সংগতি ৰাখি আজি ধ্ৰুপদী স্বীকৃতিৰ আঁৰত সহযোগিতা আগবঢ়োৱা অশোক শৰ্মা আৰু মুকুল চন্দ্ৰ গগৈকো আছুৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। তদুপৰি এই যাত্ৰাৰ মূল খনিকৰ বিশিষ্ট সাহিত্যিক ড° কুলধৰ শইকীয়াকো আছুৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

সম্পাদকীয় শিতান... দেৱাশীষ গোস্বামী

# Dirty Politics আমাৰ মানসিকতা আৰু ভৱিষ্যত

কলি যুগৰ Dirty Politics all around. কি আপোন কি পৰ। মুঠতে ৰঘুমলাৰ দৰে শিপোৱা Dirty Politics য়ে সমাজৰ সকলো স্তৰৰ লোককে বেয়াকৈ দংশী নিছে। Dirty Politics অৰ গৰল পান কৰি আমি বোৰে দিক-বিদিক হেৰুৱাই, বিবেকক ধোৱা চাঙত তুলি, মতিভ্ৰম হোৱা মানুহৰ দৰা Behave কৰিবলৈ আৰম্ভ কৰিছো। নিকৃষ্ট মানসিকতা আজিৰ দিনত তেনেই সুলভ। কি সৰু, কি ডাঙৰ, কি ধনী, কি দুখীয়া, কি জ্ঞানী, কি অজ্ঞানী সকলোৰে মন মগজুত কেৱল Politics তাকো Dirty Politics।

আমি নিৰ্বাচিত কৰি পঠোৱা আমাৰ জন প্ৰতিনিধি সকলৰ কৰ্ম-কাণ্ড, কথা-বতৰা, আচাৰ-ব্যৱহাৰেও জ্বলা জুইত ঘিঁউ ঢালিছে। দুই এজনক বাদ দি গৰিষ্ঠ সংখ্যকেই Dirty Politics অৰ অংশীদাৰ হিচাপে জনমানসত প্ৰতিপন্ন হৈছে। দল, সংগঠন মুঠতে সকলো একেখন নাৱৰে যাত্ৰী, নাওঁখনৰ নাম- Dirty Politics। কি নেতা, কি মন্ত্ৰী, বোলে কাকনো বুলিবা ককা, সকলোৰে দাড়ি চুলি পকা।

অতীজৰে পৰা প্ৰচলিত হৈ অহা বচন ফাকী বোলে লংকালৈ যি যাই, ৰাৱন হয়, একেবাৰে উলাই কৰিবও নোৱাৰি। প্ৰধানত আজিৰ দিনত জনপ্ৰতিনিধি সকলৰ সমাজ সেৱাতকৈ ব্যক্তিগত সেৱাৰ প্ৰতি ধাউতি দেখি। Politician অৰ Dirty Politics সৰ্বজন বিদিত। তৎস্বত্বেও সেই বিশেষ Politician জনৰ Dirty Politics অৰ অংশীদাৰ হ'বলৈ আমাৰ মাজৰে লালু পাঞ্জু, চেলা- চামুণ্ডা বোৰৰ খোৱা কামোৰা। ভোঁকাতুৰ কুকুৰে বিস্কুট দলিয়াই দিলে যি দৰে জপিয়াই পৰে, এই লালু পাঞ্জু, চেলা-চামুণ্ডা সকলৰো একেই অৱস্থা। Politician সকলো কম চতুৰ নহয়, এই সকল চেলা-চামুণ্ডাক ক'ত কেনেকৈ খটোৱাই কাম হাচিল কৰিব পাৰি খুব ভালকৈয়ে জানে। Dirty Politics অৰ চাকনৈয়াই আমাক এক এনেকুৱা অৱস্থালৈ লৈ যাই, য'ৰ পৰা ঘূৰি চালে কেৱল শূণ্য, শূণ্য আৰু শূণ্য। তেতিয়া অনুভৱ হয়, কি নকৰিবলগীয়া অনুচিত আমি কৰিলো, য'ত পচ্ছাতাপৰ সুযোগেই নাথাকে।

অতিকৈ পৰিতাপৰ কথা যে নৱ প্ৰজন্মও আজি Dirty Politics অৰ জালত বন্দী। Proper Guidance অৰ অভাৱত তেওঁলোক দিক ভ্ৰষ্ট। ক্ষমতাৰে বলীয়ান Dirty Politics অৰ Bulldozer অৰ তলত পিষ্ট আজি মানৱতা। যুগ-যুগান্তৰলৈ গাদী দখলৰ নিকৃষ্ট যুঁজত আমাৰেই নিৰ্বাচিত জন প্ৰতিনিধি সকলৰ খোৱা কামোৰা। নীতি আদৰ্শৰ পৰিপন্থী কেও কিছু Politician অৰ কৰ্ম কাণ্ডৰে Politics আজি Not Clean, only Dirty। এজন নিকা Politician বিচাৰি পোৱাটো পৰ্বতত কাছৰ কণী বিচৰাৰ দৰে।

আমাৰ নিজ নিজ মানসিকতা যদি পানী মূৰৰ ওপৰেদি বাগৰাৰ আগতেই সলনি নকৰো, নিকা তথা মসৃণ ভৱিষ্যতৰ হেঙাৰ হিচাপে নিজকে প্ৰতিষ্ঠিত কৰি ভৱিষ্যত প্ৰজন্মৰ অভিশাপ লবলৈ টঙালি বান্ধাই শ্ৰেয়।

শেষত জুবিনদাৰ কথাৰে-Politics নকৰিবা বন্ধু।

**Dirty Politics is very dangerous and harmful for all of us.**

# ১৭ অক্টোবৰত অতিৰিক্ত চৰকাৰী বন্ধ ঘোষণা অসম চৰকাৰৰ

ৰঙিলী বাৰ্তাসেৱা- দুৰ্গা পূজা উপলক্ষে অসম চৰকাৰে ৰাজ্যৰ চৰকাৰী কৰ্মচাৰীসকলৰ বাবে ১৭ অক্টোবৰৰ দিনটো অতিৰিক্ত চৰকাৰী বন্ধ হিচাপে ঘোষণা কৰিছে। অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে শনিবাৰে জাৰি কৰা জাননী অনুসৰি, ২৪ ছেপ্টেম্বৰত অনুষ্ঠিত কেবিনেট বৈঠকৰ সিদ্ধান্তৰ ভিত্তিত এই অতিৰিক্ত বন্ধ ঘোষণা কৰা হৈছে। অধিসূচনাখন অনুসৰি, ১৭ অক্টোবৰত অসম চৰকাৰৰ অধীনস্থ সকলো কাৰ্যালয়ৰ লগতে ৰাজ্যখনৰ সকলো ৰাজহ আৰু দণ্ডাধীশ আদালত বন্ধ থাকিব। ৰাজ্যখনত দুৰ্গাপূজাৰ উদযাপনৰ পৰিপ্ৰেক্ষিতত এই দিনটো অতিৰিক্ত ৰাজহুৱা বন্ধ হিচাপে ঘোষণা কৰা হৈছে। উল্লেখ্য যে এইবাৰ দুৰ্গা পূজাৰ বন্ধৰ মাজত এটা দিন দেওবাৰ পৰাত কৰ্মচাৰীসকলৰ বাবে অতিৰিক্ত এদিনৰ বন্ধ ঘোষণা কৰাৰ সিদ্ধান্ত লৈছিল ৰাজ্য চৰকাৰে।

# ডিব্ৰুগড় চহৰৰ মাজ মজিয়াৰ পথৰ পৰা ছয়টি শিশু উদ্ধাৰ



ৰঙিলী বাৰ্তাসেৱা- শিশু শ্ৰম আৰু পথত বসবাস কৰা শিশুৰ বিৰুদ্ধে চলোৱা অভিযানৰ অংশ হিচাপে ৩ অক্টোবৰত ডিব্ৰুগড় জিলা পৰ্যায়ৰ টাস্ক ফ'ৰ্চে ৰংঘৰ প্লাজাৰ সমীপৰ এইচ এছ ৰোড অঞ্চলৰ পৰা ছয়টি শিশু উদ্ধাৰ কৰে। উদ্ধাৰ কৰা শিশুকেইটিক ডিব্ৰুগড়ৰ শিশু কল্যাণ সমিতিৰ সন্মুখত হাজিৰ কৰোৱা হয়। সমিতিয়ে শিশুকেইটিক যত্ন আৰু সুৰক্ষাৰ বাবে প্ৰেৰণা শিশু গৃহত ৰখাৰ ব্যৱস্থা কৰে। অভিযানটো জিলা প্ৰশাসনৰ অসুৰক্ষিত আৰু বিপদাপন্ন অৱস্থাত থকা শিশুসকলক চিনাক্ত কৰি তেওঁলোকৰ সুৰক্ষা, পুনৰ্বাসন আৰু প্ৰয়োজনীয় যত্ন নিশ্চিত কৰাৰ চলিত প্ৰচেষ্টাৰ অংশ।

# এছিয়ান গেমছত স্বৰ্ণ

মুখত শোধায় প্ৰচণ্ড পাঞ্চ। শেষত সৰ্বসন্মতিক্ৰমে ৫-০ ব্যৱধানত ৰেফাৰীয়ে লাভলীনাক বিজয়ী ঘোষণা কৰাৰ লগে লগে ৰিঙৰ ভিতৰতে বিজয়ৰ হাঁহি জিলিকি উঠে লাভলীনাৰ মুখত। আনহাতে লাভলীনাই স্বৰ্ণ পদক লাভ কৰাৰ পাছতে দেশৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰী-ৰাজ্যিক মন্ত্ৰীৰ পৰা দেশ আগশাৰীৰ ৰথী-মহাৰথীলৈকে স্বৰ্ণকন্যা লাভলীনাক শুভেচ্ছা জনায়। লাভলীনাৰ এই অভূতপূৰ্ব বিজয়ৰ পিছতে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে শুভেচ্ছা জনাই তেওঁৰ অবিৰত সফলতা কামনা কৰে। ছ'চিয়েল মিডিয়াৰ এটা পোষ্টত ৰাষ্ট্ৰপতিয়ে লিখিছে- 'এছিয়ান গেমছ, ২০২৬ত মহিলাৰ ৭৫ কেজি বক্সিং ইভেন্টত ঐতিহাসিক স্বৰ্ণ পদক জয়ৰ বাবে তোমাক আন্তৰিক অভিনন্দন, লাভলীনা বৰগোহাঁই! ৰিঙত তোমাৰ শক্তি, নিখুঁততা আৰু দৃঢ়তাই ভাৰতৰ বাবে অসীম গৌৰৱ কঢ়িয়াই আনিছে। তোমাৰ জন্মদিনত সোণৰ পদক লাভ কৰিলা, এই অনুষ্ঠানটো আৰু অধিক বিশেষ হৈ পৰিছে। তোমাৰ অবিৰত সফলতাৰ বাবে মোৰ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।' প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমছত মহিলাৰ বক্সিঙত ৭৫ কিলোগ্ৰাম শাখাৰ ফাইনেলত ৫-০ৰ ব্যৱধানত জয়লাভ কৰি স্বৰ্ণ পদক জয়লাভকৰাৰ বাবে লাভলীনা বৰগোহাঁইক অভিনন্দন জনাইছোঁ। প্ৰধানমন্ত্ৰীয়ে কয় যে লাভলীনাৰ ক্ৰীড়া যাত্ৰাই উল্লেখযোগ্য সংকল্প আৰু উৎকৃষ্টতা প্ৰতিফলন কৰে। প্ৰধানমন্ত্ৰীয়ে মোদীয়ে লাভলীনা বৰগোহাঁইক তেওঁৰ ভৱিষ্যতৰ প্ৰচেষ্টাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এটা পোষ্টত লিখে লাভলীনা বৰগোহাঁয়ে অতি সুন্দৰ প্ৰদৰ্শন দাঙি ধৰিলে। এছিয়ান গেমছত মহিলাৰ ৭৫ কেজিত ৫-০ৰ ব্যৱধানত জয়লাভ কৰি স্বৰ্ণ পদক জয় কৰাৰ বাবে লাভলীনাক অভিনন্দন জনাইছোঁ। ইফালে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এছিয়ান গেমছৰ বক্সিঙৰ ৭৫ কেজি শাখাত স্বৰ্ণ জয়ৰে দেশ তথা অসমলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে লাভলীনা বৰগোহাঁইক শুভেচ্ছা জনায়। লাভলীনাৰ সৈতে টেলিফোনিক বাৰ্তালাপত মিলিত হয় মুখ্যমন্ত্ৰী। এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয়- ফোনযোগে লাভলীনাৰ লগত কথা পাতিছিলোঁ। তায়ো আনন্দত আছে, অসমবাসীও আনন্দত আছে। জন্মদিনৰ দিনাই এছিয়ান গেমছত পদক পালে লাভলীনাই। একেলেথাৰিয়ে এছিয়ান গেমছত বক্সিঙত পদক পোৱা মই ভাবোঁ লাভলীনা প্ৰথম ভাৰতীয় হ'ব। সামাজিক মাধ্যমযোগে লাভলীনা বৰগোহাঁইৰ এনে সাফল্যক লৈ মুখ্যমন্ত্ৰীয়ে লিখিলে- গ'ল্ডেন গাৰ্ল লাভলীনা। আত্মবিশ্বাস, অটুট মনোবল আৰু দৃঢ় সংকল্পৰে দেশৰ বাবে আজি বক্সিঙত ৭৫ কেজি শাখাত এছিয়ান গেমছৰ স্বৰ্ণ জয় কৰি আকৌ এবাৰ ভাৰতৰ ত্ৰিৰংগা বিশ্ব মঞ্চত গৌৰৱেৰে উৰুৱালে আমাৰ অসম কন্যা লাভলীনা বৰগোহাঁয়ে। জন্মদিনৰ দিনা দেশৰ বাবে সোণৰ পদক জয় কৰাতকৈ আনন্দদায়ক আন কি হ'ব পাৰে। লাভলীনা, তোমাৰ এই জয়ত আমি অসম গৌৰৱান্বিত, ভাৰত গৌৰৱান্বিত। তোমাৰ এই গৌৰৱময় বিজয়ৰ বাবে হিয়াভৰা অভিনন্দন। এই বিজয় ভাৰতীয় বক্সিঙত ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ হৈ থাকিব।

# নেছলে কোম্পানীৰ দুগ্ধজাত সামগ্ৰীৰ বিক্ৰী বন্ধ কৰাৰ নিৰ্দেশ




ৰঙিলী বাৰ্তাসেৱা- ভাৰতীয় খাদ্য সুৰক্ষা আৰু মানদণ্ড কৰ্তৃপক্ষই নেচলেৰ জনপ্ৰিয় সামগ্ৰী 'লো ফেট ডেইৰী হোৱাইটনাৰ'ক মানৱ স্বাস্থ্যৰ বাবে অসুৰক্ষিত আৰু অমান্য বুলি ঘোষণা কৰিছে। লেবৰেটৰী টেষ্ট ষ্টেণ্ডাৰ্ডত উত্তীৰ্ণ হ'ব নোৱাৰাৰ বাবে সংস্থাটোৱে এই সামগ্ৰীৰ বিক্ৰী তৎকালীন-ভাৱে বন্ধ কৰাৰ নিৰ্দেশ দিছে। শেহতীয়াকৈ নেচলেৰ ডেইৰী হোৱাইটনাৰৰ নমুনা নতুন দিল্লীৰ কন'ট প্লেচত অৱস্থিত 'মেচাৰ্ছ ভাৰত হোটেলছ লিমিটেড'ৰ পৰা সংগ্ৰহ কৰা হৈছিল। সেই নমুনা পৰীক্ষাৰ পিছতে এই তথ্য লাভ কৰে খাদ্য নিৰাপত্তা দপ্তৰে। চৰকাৰী খাদ্য বিশ্লেষণাত্মক পৰীক্ষাগাৰে 'খাদ্য সুৰক্ষা আৰু মানদণ্ড আইন, ২০০৬'ৰ অধীনত নিৰ্ধাৰিত মানদণ্ড অনুসৰি কৰা পৰীক্ষাত নমুনাটো অমান্য বুলি ধৰা পৰিছে। ইয়াৰ পিছত এফএছএছএআয়ে নিয়ম-বহিৰ্ভূত নেছলেৰ এই পণ্যটোৰ বিষয়ে ভাৰত হোটেলছ লিমিটেডক এখন জাননী জাৰি কৰে। লগতে এই খাদ্য ব্যৱসায়ীপ্ৰতিষ্ঠানসমূহলৈ জাননী জাৰি কৰি ক্ষতিগ্ৰস্ত গোট আৰু নিৰ্দিষ্ট সামগ্ৰীৰ বিক্ৰী তৎক্ষণাত বন্ধ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰিও নিৰ্মাতা নেচলেকো এই লেব ৰিপৰ্ট প্ৰেৰণ কৰা হৈছে আৰু ইয়াৰ ব্যাখ্যা বিচাৰিছে। ক্ৰেতা আৰু গ্ৰাহকক দিয়া সতৰ্কবাণীত এফ এছ এছ এ আইয়ে কয় যে এনে পেকেটত ভৰোৱা দুগ্ধজাত সামগ্ৰী ক্ৰয় বা খোৱাৰ আগতে গুণগত মান আৰু বেচৰ সংখ্যা পৰীক্ষা কৰাটো গুৰুত্বপূৰ্ণ। একে সময়তে বিভাগটোৱে সাধাৰণ জনতাক চৰকাৰী নীতি-নিৰ্দেশনা মানি চলিবলৈ পৰামৰ্শ দিছে। কৰ্তৃপক্ষই জনোৱা মতে, পেকেটত ভৰোৱা খাদ্য সামগ্ৰীৰ মান বজাই ৰাখিবলৈ নিয়মীয়াকৈ চোৱাচিতাৰ অংশ হিচাপে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। উপভোক্তাসকলৰ উদ্দেশ্যেও পৰামৰ্শ দিয়া হৈছে কেন্দ্ৰৰ তৰফৰ পৰা। গ্ৰাহক (দহ পৃষ্ঠাত চাওক)

# শাৰদীয় দুৰ্গা পূজাক লৈ নীতি নিৰ্দেশনা জাৰি প্ৰশাসনৰ



ৰঙিলী বাৰ্তাসেৱা- সমাগত শাৰদীয় দুৰ্গা পূজা। পূজাৰ প্ৰাক্কণত গুৱাহাটী মহানগৰীত জিলা প্ৰশাসনে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। শুকুৰবাৰে গুৱাহাটী মহানগৰীৰ বিভিন্ন পূজা সমিতিৰ সৈতে কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু মহানগৰ আৰক্ষীৰ এখন গুৰুত্বপূৰ্ণ বৈঠক দীঘলীপুখুৰীপাৰৰ ৰাজ্যিক জিলা সংগ্ৰহালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। উল্লেখ্য যে এইবাৰ ছয় শতাধিক পূজামণ্ডপেৰে উজলি উঠিব গুৱাহাটী মহানগৰী। গতিকে শাৰদীয় দুৰ্গোৎসৱৰ সময়ছোৱাত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি নহয় তাৰ বাবে মহানগৰ আৰক্ষী আৰু জিলা প্ৰশাসনে সমিতিসমূহক বিভিন্ন নিৰ্দেশনা জাৰি কৰে। কামৰূপ মহানগৰ জিলাৰ জিলা আয়ুক্ত স্বপ্নীল পাল আৰু যুটীয়া আৰক্ষী আয়ুক্তৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰা হৈছে। বিভিন্ন সময়ত বৰঙণিক লৈ বহু ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰ প্ৰশাসনে কাৰো পৰা দাবী কৰি কোনো পূজা সমিতিয়ে বৰঙণি সংগ্ৰহ কৰিব নোৱাৰিব বুলি নিৰ্দেশ দিছে। প্ৰশাসনৰ ফালৰ পৰা সৰু-ডাঙৰ প্ৰতিটো পূজা মণ্ডপতে বাধ্যতামূলকভাৱে চিচিটিভি কেমেৰা স্থাপন কৰাৰ লগতে ২৪ ঘণ্টাই চিচিটিভি কেমেৰা সক্ৰিয় কৰি ৰাখিব লাগিব বুলিও নিৰ্দেশনা দিয়া হৈছে। লগতে পূজা স্থলীত হঠাতে কোনো ঘটনা ঘটিলে, তাৰ সুৰক্ষাৰ বাবে জুই নিৰ্বাপন কৰাৰ সকলো সামগ্ৰী বা ব্যৱস্থা (দহ পৃষ্ঠাত চাওক)

# জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত মুম্বাইৰ শিৱাজী পাৰ্কত চিজেপিৰ প্ৰতিবাদ



ৰঙিলী বাৰ্তাসেৱা- দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীৰে শুকুৰবাৰে নতুন দিল্লী আৰু মুম্বাইত প্ৰতিবাদ সাব্যস্ত কৰে আপ আৰু চিজেপিৰ কৰ্মীয়ে। গান্ধী জয়ন্তীৰ দিনাই আৰম্ভ কৰা এই প্ৰতিবাদী কাৰ্যসূচীক লৈ আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰে। চিজেপিৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপকেই মুম্বাইৰ শিৱাজী পাৰ্কত বিয়লি ৪ বজাত 'জে'ল ভৰো আন্দোলন' ঘোষণা কৰিছিল। চিজেপিয়ে ইতিপূৰ্বে এই প্ৰতিবাদৰ পৰিকল্পনা কৰিছিল যদিও মুম্বাই আৰক্ষীয়ে ইয়াৰ অনুমতি দিবলৈ অস্বীকাৰ কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে বম্বে উচ্চ ন্যায়ালয়ৰ ২০১৩ চনৰ এটা নিৰ্দেশ আৰু অঞ্চলটোক নীৰৱতাপূৰ্ণ এলেকা হিচাপে আখ্যা দিয়াৰ পৰিপ্ৰেক্ষিতত শিৱাজী পাৰ্কত সমাবেশৰ অনুমতি দিব পৰা নাযায়। হাতত প্লে' কাৰ্ড লৈ সমৰ্থকসকলৰ সৈতে তাত সমৱেত হোৱাত দীপকেক মেৰিন ড্ৰাইভআৰক্ষী থানালৈ কিছুসময়ৰ বাবে লৈ যোৱা হয় আৰু কেইমিনিটমানৰ পিছতেই তেওঁক মুকলি কৰি দিয়া হয়। চিজেপিৰ এই প্ৰতিবাদী কাৰ্যসূচীত যোগ দিয়ে প্ৰবীণ অভিনেতা নাছিৰুদ্দিন শ্বাহ, সংগীত পৰিচালক বিশাল দাদলানি, অভিনেত্ৰী শ্বাবনা আজমীসহ বলীউডৰ কেইবাগৰাকীও তাৰকাই। চিজেপিৰ এই কাৰ্যসূচীক লৈ মুম্বাই আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলে। চিজেপিৰ পক্ষৰ পৰা প্ৰকাশ কৰা মতে জ্ঞানেশ কুমাৰৰ (দহ পৃষ্ঠাত চাওক)

# ২, ০০০ টকালৈ বৃদ্ধি হ'ব অৰুণোদয় আঁচনিৰ ধনঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি ৰূপহীহাট বিধানসভা সমষ্টিৰ জুৰীয়া, চামগুৰি বিধানসভা সমষ্টিৰ বেলতলী আৰু লাহৰীঘাট বিধানসভা সমষ্টিৰ তিনিচুকীয়াত তিনিখনকৈ বিশাল জনসভাত মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। ৰূপহীহাট বিধানসভা সমষ্টিৰ অন্তৰ্গত জুৰীয়াৰ বগৰীগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত এক বিশাল নিৰ্বাচনী সভাত অংশ লয় মুখ্যমন্ত্ৰী ড' শৰ্মাই। দলীয় প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ হৈ প্ৰচাৰ অভিযানত মুখ্যমন্ত্ৰীক সংগ দিয়ে মন্ত্ৰী পীযুষ হাজৰিকা, বিমল বড়া, কেশৱ মহন্ত, ৰামেশ্বৰ তেলীকে ধৰি কেইবাজনো জ্যেষ্ঠ নেতাই। এই সভাতে মুখ্যমন্ত্ৰীৰ ঘোষণা- মামা থকালৈকে অহা ৫০ বছৰত কংগ্ৰেছ ক্ষমতালৈ নাহে। তেওঁ কয়- নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ফলাফলে দিল্লী বা দিছপুৰত চৰকাৰ পৰিৱৰ্তন কৰিব নোৱাৰে। নিৰ্বাচনৰ ফলাফল যিয়েই নহওক, চৰকাৰ একেই থাকিব। কিন্তু এই নিৰ্বাচনত বিজেপি প্ৰাৰ্থীগৰাকীৰ বিজয়ে অৰুণোদয় আঁচনি, মহিলা উদ্যমিতা অভিযানৰ পৰৱৰ্তী কিস্তি ২৫ হাজাৰ আৰু ৫০ হাজাৰ টকা মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান, নিযুত মইনা, নিযুত বাবু আৰু আঁচনি ৰাইজক প্ৰদান কৰা, সুলভ মূল্যত দাইল, চেনিৰ লগতে মিঠাতেল যোগান, দুই লাখ চৰকাৰী পদত নিযুক্তি আদিৰ বাবে কাম ( দহ পৃষ্ঠাত চাওক)

# পৰ্যটকৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি

ৰঙিলী বাৰ্ত্তাসেৱা- বহু প্ৰত্যাশাৰ অন্তত পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হ'ল দেশৰ গৌৰৱ তথা বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। শনিবাৰে পুৱা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা বনাঞ্চলৰ মিহিমুখ প্ৰৱেশদ্বাৰত ফিটা কাটি বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আনুষ্ঠানিকভাৱে উদ্যানখন পৰ্যটকৰ বাবে মুকলি কৰে। তাৰ পূৰ্বে গায়ন-বায়নৰ লগতে বিহু আৰু ঝুমুৰ নৃত্যৰে দুই মন্ত্ৰী আৰু সাংসদগৰাকীক আদৰি নিয়া হয়। অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত থাকে। দ্বাৰ মুকলিৰ পাছতে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই জীপ ছাফাৰি কৰি কাজিৰঙাৰ সৌন্দৰ্য উপভোগ কৰে। ছাফাৰিৰ সময়ত এশিঙীয়া গঁড় বিভিন্ন বন্যপ্ৰাণী, চৰাই-চিৰিকটিৰ লগতে বগা হৰিণ দেখি অভিভূত হয় মন্ত্ৰীগৰাকী। এই উপলক্ষে মন্ত্ৰী বৰুৱাই কয়, 'অসমৰ পৰ্যটন খণ্ডক অধিক সমৃদ্ধিশালী কৰিবলৈ সকলো অংশীদাৰে হাতে হাতে ধৰি কাম কৰি যাব লাগিব।' প্ৰতিবছৰে কাজিৰঙালৈ অহা পৰ্যটকৰ সংখ্যা বৃদ্ধি পাইছে বুলি উল্লেখ কৰি তেওঁ কয়, 'গঁড় হত্যা সম্পূৰ্ণৰূপে ৰোধ কৰিব পৰাটো বিজেপি মিত্ৰজোঁট চৰকাৰৰ অন্যতম সফলতা।' লগতে এই পৰ্যটন বৰ্ষত সকলোকে কাজিৰঙাৰ অপৰূপ সৌন্দৰ্য উপভোগ কৰিবলৈ আহ্বান জনায়। আগন্তুক ১০-১৫ দিনৰ ভিতৰতে হাতী ছাফাৰি মুকলি কৰিব পৰা যাব বুলি বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই জানিবলৈ দিয়ে। উল্লেখ্য যে মূল অনুষ্ঠানৰ পূৰ্বে কাজিৰঙা উন্নয়ন আৰু জীপ ছাফাৰি সন্থাই আয়োজন কৰা অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই জীপ ছাফাৰিৰ পাৰ্কিং আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত গোলাঘাট জিলাৰ জিলা আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক, পৰিৱেশ আৰু বন বিভাগৰ বিষয়ববীয়া, বিজেপিৰ গোলাঘাট জিলাৰ সভাপতি, অগপৰ বিষয়ববীয়া, কাজিৰঙা উন্নয়ন আৰু জীপ ছাফাৰি সন্থাৰ সভাপতি-সম্পাদকৰ লগতে সন্থাটোৰ অন্যান্য বিষয়ববীয়া আৰু বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# কটন বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আছু সমৰ্থিত প্ৰাৰ্থীৰ জয়লাভ




ৰঙিলী বাৰ্ত্তাসেৱা- ঐতিহ্যমণ্ডিত কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণা। সদৌ অসম ছাত্ৰ সন্থাই বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আধিপত্য দখল কৰিবলৈ সক্ষম হৈছে। ঘোষিত ফলাফলত ছাত্ৰ একতা সভাৰ সভাপতি-সম্পাদককে ধৰি মুঠ ৬টা পদবীত আছু সমৰ্থিত প্ৰাৰ্থীয়ে বিজয় নিশ্চিত কৰিবলৈ সক্ষম হয়। ঘোষিত ফলাফল অনুসৰি আছু সমৰ্থিত প্ৰাৰ্থী হৰিপ্ৰসাদ চেতিয়াই সভাপতি পদত বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হোৱাৰ লগতে সাধাৰণ সম্পাদক পদত উজ্জ্বল ডেকা, তৰ্ক বিভাগত অঞ্জলি মাৰ্ডি, সাংস্কৃতিক বিভাগত দেৱাস্মিতা বৰুৱা আৰু ক'ৰ্ট মেম্বাৰৰ দুটা পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয় সাব্যস্ত হয় মোহন শৰ্মা আৰু চন্দিতা কলিতা। একেদৰে পাঁচটা পদত বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হয় ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি সমৰ্থিত প্ৰাৰ্থীয়ে। ইয়াৰে উপ-সভাপতি পদত এঞ্জেলিনা বসুমতাৰী, কটনিয়ানৰ সম্পাদকৰূপে অবিনাশ বৰা, সংগীত ( নপৃষ্ঠাত চাওক)

# ১২ অক্টোবৰত মুকলি হ'ব মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ ধন



ৰঙিলী বাৰ্ত্তাসেৱা- পূজাৰ পূৰ্বে ৰাজ্যৰ শিক্ষাৰ্থীসকললৈ সুখবৰ। ৰাজ্য চৰকাৰে শিক্ষাৰ্থীসকললৈ আগবঢ়াব এক বিশেষ উপহাৰ। ১২ অক্টোবৰত মুকলি কৰা হ'ব মুখ্যমন্ত্ৰীৰ 'নিযুত মইনা' আৰু 'নিযুত বাবু' আঁচনিৰ ধন। এই কথা উল্লেখ কৰে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। শিক্ষামন্ত্ৰী গৰাকীয়ে প্ৰকাশ কৰা অনুসৰি চলিত শিক্ষা বৰ্ষৰ বাবে উচ্চ শিক্ষা বিভাগৰ অধীনত 'নিযুত মইনা' আঁচনিৰ ২, ৪৮, ২৬৩ গৰাকী হিতাধিকাৰীয়ে লাভ কৰিব এই ধন। উল্লেখযোগ্য যে নিযুত মইনা আঁচনিৰ জৰিয়তে স্নাতক মহলাৰ ছাত্ৰীসকলে প্ৰতিমাহে ১২৫০ টকাকৈ লাভ কৰাৰ বিপৰীতে স্নাতকোত্তৰ মহলা আৰু বি এড পাঠ্যক্ৰমৰ ছাত্ৰীয়ে প্ৰতিমাহে আঢ়ৈ হাজাৰ ( পাঁচ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ত গান্ধী জয়ন্তী উপলক্ষে স্বচ্ছতা আৰু পৰিচ্ছন্নতা




ৰঙিলী বাৰ্ত্তাসেৱা- স্বচ্ছ পৰিৱেশ সুস্থ জীৱনৰ এক অন্যতম আধাৰ- এই বাৰ্তাক সাৰোগত কৰি গান্ধী জয়ন্তী উপলক্ষে স্বচ্ছতা আৰু পৰিচ্ছন্নতাৰ বাৰ্তা লৈ ডিব্ৰুগড়ৰ শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ত আয়োজন কৰা হয় বিশেষ স্বচ্ছতা আৰু পৰিচ্ছন্নতা কাৰ্যসূচী। ভাৰত চৰকাৰৰ 'স্বচ্ছ ভাৰত মিছন অভিযান'ৰ অধীনত আয়োজিত এই কাৰ্যসূচীত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্ম জয়ন্তী সৈতে সংগতি ৰাখি শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ত অনুষ্ঠিত হয় এই স্বচ্ছতা অভিযান। এই উদ্দেশ্যে বিশ্ববিদ্যালয়ৰ চৌহদত শিক্ষাৰ্থীসকল একত্ৰিত হৈ পৰিচ্ছন্নতা অভিযানত অংশ লয়। হাতে হাতে বেনাৰ ঝাড়ু লৈ শিক্ষাৰ্থীসকলে পৰিস্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাৰ্তা প্ৰচাৰ কৰে। উল্লেখযোগ্য যে বিশ্ববিদ্যালয়খনে স্বচ্ছ পৰিৱেশ সুস্থ জীৱনৰ অন্যতম আধাৰ-এই বাৰ্তাকে ( নপৃষ্ঠাত চাওক)

# ফাষ্টট্ৰেক আদালতত চতুৰ্থদিনাও সাক্ষ্যদান তন্ময় ফুকনৰ



ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গৰ হত্যা গোচৰৰ ফাষ্টট্ৰেক আদালতত ছিংগাপুৰৰ প্ৰবাসী অসমীয়া তন্ময় ফুকনৰ সাক্ষ্যদান চতুৰ্থদিনা সমাপ্ত নহ'ল। তন্ময় ফুকনে পুনৰ ফাষ্টট্ৰেক আদালতত সাক্ষ্যদান কৰিব। ফাষ্টট্ৰেক আদালতত সাক্ষ্যদান কৰি সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত তন্ময় ফুকনে মন্তব্য কৰি কয় যে সাক্ষ্যদান কৰি ভাগৰি গৈছোঁ। আদালতত সাক্ষ্যদান দিওঁতে কথাবোৰ সাৱধানে ক'বলগা হৈছে। সংবাদ মাধ্যমৰ আগত তন্ময় ফুকনে কয়- আদালতত আজি ক্ৰছ কুৱেছ্চ'নিং, ক্ৰছ এগজামিনেচন হ'ল। সাক্ষ্যদান ( নপৃষ্ঠাত চাওক)

# ৰাজ্যত শীঘ্ৰে আৰম্ভ হ'ব শিক্ষকৰ একক বদলিকৰণ প্ৰক্ৰিয়া



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যত মিউচুৱেল বা পাৰস্পৰিক বদলিকৰণৰ কাম সম্পূৰ্ণ হোৱাৰ পিছতে শীঘ্ৰেই শিক্ষকৰ একক বদলিকৰণ আৰু ৰেচনেলাইজেচন প্ৰক্ৰিয়া আৰম্ভ হ'ব।এই কথা জনাই শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। সমগ্ৰ শিক্ষা অভিযানৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয়, 'ইতিমধ্যে মিছুবেল ট্ৰেন্সফাৰ প্ৰক্ৰিয়াৰ কাম আমি সমাপ্ত কৰিলোঁ। ইয়াৰ পাছত এতিয়া ছিংগল ট্ৰেন্সফাৰৰ কাম আৰম্ভ কৰিম।' আনহাতে বদলিকৰণৰ প্ৰক্ৰিয়া চলি থকাৰ সময়ত ৰেচনেলাইজেচন প্ৰক্ৰিয়া বন্ধ ৰাখিবলগীয়া হৈছে বুলি উল্লেখ কৰি পেগুৱে কয় যে বদলিকৰণ সম্পূৰ্ণ হোৱাৰ পাছত পুনৰ ৰেচনেলাইজেচন প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত শিক্ষামন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত ইয়াকো স্পষ্ট কৰে যে শিক্ষকৰ ৰেচনালাইজেচনৰ সময়ত যিবোৰ বিদ্যালয়ত শিক্ষক কম আছে, সেই বিদ্যালয়সমূহৰ বিষয়টো বিশেষভাৱে বিবেচনা কৰা হ'ব। উল্লেখ্য যে একক শিক্ষক বদলিকৰণ বিভাগে বন্ধ কৰাৰ বিপৰীতে উমৈহতীয়া বদলি-কৰণৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছিল। নিৰ্দিষ্ট এটা বিষয়ৰ এজন শিক্ষকক বদলি কৰিলে সংশ্লিষ্ট বিদ্যালয়ত খালী হ'ব পৰা শিক্ষকৰ পদ পূৰণৰ ক্ষেত্ৰত দেখা দিয়া জটিলতাৰ বাবে একক শিক্ষক বদলিকৰণ বন্ধ কৰি ৰখা হৈছিল। শিক্ষামন্ত্ৰী গৰাকীয়ে এই বদলিকৰণ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি জানিব দিয়াৰ সমান্তৰালকৈ মাধ্যমিক পৰ্যায়ৰ শিক্ষানুষ্ঠানত নতুন পদ্ধতিৰে বিষয় অনুসৰি স্নাতকোত্তৰ শিক্ষক নিযুক্তি প্ৰদান কৰা হ'ব বুলিও জানিবলৈ দিয়ে। শিক্ষামন্ত্ৰীগৰাকীয়ে কয়- স্নাতকোত্তৰ শিক্ষক আৰু স্নাতক শিক্ষক নিযুক্তিৰ বাবেও অতি সোনকালে এছঅ'পি প্ৰকাশ পাব। উক্ত এছঅ'পি অনুসৰিয়েই স্নাতকোত্তৰ শিক্ষক নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। এইক্ষেত্ৰত যিসমূহ বিদ্যালয়ত বিষয় শিক্ষক নাই, সেই বিদ্যালয়সমূহত বিষয় শিক্ষক নিযুক্তিত অধিক প্ৰাধান্য দিয়া হ'ব। এইক্ষেত্ৰত বিষয়-ভিত্তিকভাৱে ১৪৮০ অনুপাতত স্নাতকোত্তৰ শিক্ষক নিযুক্তি প্ৰদান কৰা হ'ব। একাদশ শ্ৰেণীত যদি ৮০ গৰাকী নিৰ্দিষ্ট এটা বিষয়ৰ শিক্ষাৰ্থী থাকে, তেন্তে শিক্ষাৰ্থীসকলৰ মাজত দুটা শাখা হ'ব। সেই অনুসৰি এজন স্নাতকোত্তৰ শিক্ষকে দিনটোত

( নপৃষ্ঠাত চাওক)

# পৰিচয়-পত্ৰ নোহোৱাকৈ হোমষ্টে'-ল'জ-গেষ্ট হাউছত প্ৰৱেশ নিষিদ্ধ



ৰঙিলী বাৰ্তাসেৱা- নিমিষা ঠাকুৰীয়াৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ পাছতে গুৱাহাটী মহানগৰীত হোটেল, হোমষ্টে, লজ আৰু গেষ্ট হাউছসমূহৰ ওপৰত অধিক কঠোৰ হৈছে আৰক্ষী। মহানগৰীখনৰ হোমষ্টে, হোটেল, ল'জ, গেষ্টহাউছ আদিৰ নিয়ন্ত্ৰণৰ বাবে এক এছঅ'পি ঘোষণা কৰিছে মহানগৰ আৰক্ষীয়ে। মহানগৰ আৰক্ষীৰ পশ্চিম মণ্ডলৰ ডিচিপি বলীন দেউৰীয়ে প্ৰকাশ কৰা মতে, এই এছঅ'পি অনুসৰি এতিয়াৰ পৰা হোমষ্টে, গেষ্টহাউছ আদিৰ মালিকসকলে হোমষ্টে, গেষ্টউছলৈ অহা অভ্যাগতসকলৰ পৰিচয়-পত্ৰ গ্ৰহণ কৰিব লাগিব। হোমষ্টে, হোটেল, ল'জত জিলিকি থাকিব লাগিব আৰক্ষীৰ হেল্পলাইন নম্বৰ। অসম আৰক্ষীৰ হেল্পলাইন নম্বৰ ১১২ আৰু ১০০ হোমষ্টে, গেষ্টহাউছ, ল'জ আদিত ডাঙৰ ডাঙৰ আখৰেৰে লিখা থাকিব লাগিব। অগ্নিনিৰ্বাপক বাহিনীৰ ১০১ নম্বৰ হেল্পলাইন নম্বৰো লিখা থাকিব লাগিব। জৰুৰীকালীন এম্বুলেঞ্চৰ বাবে ১০২,

( নপৃষ্ঠাত চাওক)

# ১২ অক্টোবৰত মুকলি

টকাকৈ লাভ কৰিব। একেদৰে উচ্চতৰ মাধ্যমিকৰ ছাত্ৰীয়ে প্ৰতিমাহে এহেজাৰ টকাকৈ লাভ কৰিব। মাধ্যমিক পৰ্যায়তো ১ লাখ ৮৯ হাজাৰ ৪২ গৰাকী ছাত্ৰীয়ে নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰিব। শিক্ষামন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি ১২ অক্টোবৰতে মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনিখনৰো ধন মুকলি কৰা হ'ব। উচ্চ শিক্ষা বিভাগৰ অধীনত ৰাজ্যৰ ১, ০২, ৫০১গৰাকী ছাত্ৰই এই আঁচনিৰ ধন লাভ কৰিব। নিযুত বাবু আঁচনিৰ অধীনত স্নাতক মহলাৰ ছাত্ৰসকলে প্ৰতিমাহে এহেজাৰ টকাকৈ আৰু স্নাতকোত্তৰ মহলাৰ ছাত্ৰসকলে প্ৰতিমাহে দুহেজাৰ টকাকৈ লাভ কৰিব। অনাগত ১০ মাহৰ বাবে হিতাধিকাৰীসকলে এই আঁচনিৰ ধন লাভ কৰিব। ইফালে, শিক্ষামন্ত্ৰী ডাঃ পেগুৱে প্ৰকাশ কৰা অনুসৰি চলিত মাহৰ পৰাই এছআৰডিৰ জৰিয়তে নিয়মীয়া হোৱা শিক্ষকসকলে কোষাগাৰসমূহৰ জৰিয়তে লাভ কৰিব দৰমহা। ইয়াৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনা শিক্ষা বিভাগে জাৰি কৰিছে। আনহাতে, এছআৰডি শিক্ষকৰ দৰমহাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰেও প্ৰয়োজনীয় অনুমোদন জাৰি কৰিছে। মন কৰিবলগীয়া যে এছআৰডিৰ জৰিয়তে নিয়মীয়া হোৱা শিক্ষকসকলক চলিত জুলাই মাহত এছএনএ-স্পৰ্শ মডিউলৰ দ্বাৰা দৰমহা দিয়াৰ নিৰ্দেশনা দিছিল শিক্ষা বিভাগে। মুখ্যতঃ ইয়াকে লৈ সৃষ্টি হৈছিল তীব্ৰ প্ৰতিক্ৰিয়াৰ। ৰাজ্যৰ প্ৰাথমিক শিক্ষক সন্মিলনীয়ে এছএনএ-স্পৰ্শ মডিউলৰ জৰিয়তে দৰমহা লোৱাৰ আপত্তি দৰ্শোৱাৰ বিপৰীতে কোষাগাৰৰ জৰিয়তেহে দৰমহা দিয়াৰ দাবী তুলিছিল। এনে দাবীৰ প্ৰতি সঁহাৰি জনাই শিক্ষা বিভাগে চলিত মাহৰ পৰাই কোষাগাৰৰ জৰিয়তে দৰমহা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে।

# ডিব্ৰুগড়ৰ এম জে বি টি বাছ আস্থানত সময়সূচী আৰু পৰিচালনাক লৈ উত্তেজনা



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড় মহানগৰত বহু বছৰ ধৰি অব্যৱহৃত হৈ পৰি থকা ঐতিহাসিক মুৰলী ধৰ জালান আস্থানলৈ শেহতীয়াকৈ বাছ আস্থান স্থানান্তৰ কৰাৰ পাছৰে পৰাই বিভিন্ন সমস্যাই দেখা দিছে। বৰ্তমান আস্থানটোত বাছ চলাচলৰ সময়সূচী আৰু পৰিচালনাক কেন্দ্ৰ কৰি সংশ্লিষ্ট লেচী পক্ষ আৰু বাছ মালিক সন্থাৰ মাজত অব্যাহত থকা সংঘাত তীব্ৰতৰ হৈ উঠিছে। এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি যোৱা ২৭ ছেপ্টেম্বৰত অনুষ্ঠিত সাধাৰণ পৰিষদৰ বৈঠকৰ সিদ্ধান্তমৰ্মে ইষ্টাৰ্ণ বাছ অনাৰ্ছ এছ'চিয়েশ্যনে জালান বাছ আস্থানত উপস্থিত হৈ সমগ্ৰ বিষয়টো সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে নিজাকৈ টাইম কীপাৰ বা লাইনমেন নিয়োগ কৰাৰ কথা ঘোষণা কৰে। সংবাদ মাধ্যমক অৱগত কৰি ইষ্টাৰ্ণ বাছ অনাৰ্ছ এছ'চিয়েশ্যনৰ প্ৰতিনিধিসকলে কয় যে, বাছ আস্থানৰ এই বিশৃংখলতা আৰু সমস্যা সমাধানৰ বাবে তেওঁলোকে দীৰ্ঘদিন ধৰি জিলা প্ৰশাসন, পৌৰসভা তথা সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে বাৰে বাৰে যোগাযোগ কৰি আহিছে। কিন্তু প্ৰশাসনিক পৰ্যায়ৰ পৰা কোনো সুনিৰ্দিষ্ট বা ফলপ্ৰসূ সমাধান নেপাই অৱশেষত বাধ্য হৈ সংস্থাটোৱে

( নপৃষ্ঠাত চাওক)

# কুমাৰপাৰা শ্ৰী শ্ৰী ৰাজহুৱা সত্ৰত শিশুসকলৰ বাবে 'প্ৰযোজনামুখী লোকনাট্য কৰ্মশালা'ৰ বৰ্ণিল শুভাৰম্ভ



ৰঙিলী বাৰ্তাসেৱা- ভাৰত চৰকাৰৰ সংস্কৃতি মন্ত্ৰালয়ৰ অধীনস্থ উত্তৰ পূৰ্বাঞ্চল সাংস্কৃতিক কেন্দ্ৰ (NEZCC), ডিমাপুৰ আৰু অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা সঞ্চালকালয়ৰ যৌথ উদ্যোগত, 'ৰংমঞ্চ কায়াকল্প যোজনা'ৰ অধীনত শিশুসকলৰ বাবে এক "প্ৰযোজনামুখী লোকনাট্য কৰ্মশালা"'ৰ আয়োজন কৰা হৈছে। ২৯ ছেপ্টেম্বৰৰ আবেলি ৫:০০ বজাত গুৱাহাটীৰ কুমাৰপাৰাস্থিত শ্ৰী শ্ৰী ৰাজহুৱা সত্ৰৰ প্ৰাংগনত মাংগলিক পৰিৱেশত এই সাতদিনীয়া কৰ্মশালাখনিৰ আনুষ্ঠানিক উদ্বোধন কৰা হয়। অহা ৫ অক্টোবৰলৈকে চলিবলগীয়া এই কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শ্ৰী শ্ৰী ৰাজহুৱা সত্ৰৰ সত্ৰাধিকাৰ সনাতন দাস বাপ, বৰবায়ন হলিৰাম বৰা, জ্যেষ্ঠ সাংবাদিক

( নপৃষ্ঠাত চাওক)

# উন্নত সেৱাৰ নামত গ্ৰাহকৰ ওপৰত বোজা



কুণ্ডিল হাজৰিকা, যোৰহাট,ভগামুখ

বৰ্তমান সময়ত মোবাইল ফোন আৰু ইণ্টাৰনেট মানুহৰ দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। শিক্ষা, ব্যৱসায়-বাণিজ্য, চাকৰি, বেংকিং, অনলাইন সেৱা, সামাজিক যোগাযোগ আদি প্ৰায় প্ৰতিটো ক্ষেত্ৰতে মোবাইল আৰু ইণ্টাৰনেটৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে। সেয়েহে নিৰ্ভৰযোগ্য আৰু উন্নত মোবাইল নেটৱৰ্ক এতিয়া বিলাসিতা নহয়, বৰং এক অত্যাৱশ্যকীয় সেৱা।

কিন্তু পৰিতাপৰ বিষয় যে বহু গ্ৰাহকে এতিয়াও নিয়মীয়াকৈ নেটৱৰ্ক সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। বহু ঠাইত ফোন কৰাৰ সময়ত নেটৱৰ্ক বিচ্ছিন্ন হোৱা, কল ড্ৰপ হোৱা, ইণ্টাৰনেটৰ গতি হ্ৰাস পোৱা অথবা কোনো কোনো সময়ত সম্পূৰ্ণৰূপে সেৱা ব্যাহত হোৱাৰ অভিযোগ শুনিবলৈ পোৱা যায়। বিশেষকৈ গ্ৰামাঞ্চল আৰু বহু আঞ্চলিক অঞ্চলত এই সমস্যাই গ্ৰাহকক যথেষ্ট অসুবিধাত পেলাই আহিছে।

ইয়াৰ মাজতে মোবাইল ৰিচাৰ্জৰ মূল্যও ক্ৰমাৎ বৃদ্ধি পাইছে। উন্নত নেটৱৰ্ক আৰু অধিক সুবিধাৰ প্ৰতিশ্ৰুতি দি গ্ৰাহকৰ পৰা অধিক ধন লোৱা হৈছে যদিও বহু ক্ষেত্ৰত সেৱাৰ মানদণ্ড সেই অনুপাতে উন্নত হোৱা নাই বুলি গ্ৰাহকৰ মাজত অসন্তুষ্টি দেখা গৈছে। মাহে মাহে ৰিচাৰ্জৰ নামত ধন ব্যয় কৰাৰ পাছতো যদি প্ৰয়োজনৰ সময়ত উপযুক্ত নেটৱৰ্ক সেৱা লাভ কৰিব নোৱাৰি, তেন্তে গ্ৰাহকৰ মনত প্ৰশ্ন উত্থাপন হোৱাটো স্বাভাৱিক।

আন এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে কাষ্টমাৰ কেয়াৰ সেৱা। নেটৱৰ্কৰ সমস্যাৰ সন্মুখীন হৈ বহু গ্ৰাহকে কাষ্টমাৰ কেয়াৰত বাৰে বাৰে যোগাযোগ কৰে। অভিযোগ দাখিল কৰাৰ পাছত সমস্যাটো পৰীক্ষা কৰি শীঘ্ৰে সমাধান কৰি দিয়াৰ আশ্বাস দিয়া হয়। কিন্তু বহু ক্ষেত্ৰত সেই আশ্বাসৰ পাছতো সমস্যাটো আগৰ দৰেই অব্যাহত থাকে। ফলত গ্ৰাহকৰ সমস্যা সমাধান হোৱাৰ পৰিৱৰ্তে তেওঁ পুনৰ কাষ্টমাৰ কেয়াৰত যোগাযোগ কৰিবলৈ বাধ্য হয়। কেৱল "সমস্যাটো ঠিক কৰি দিয়া হ'ব" বুলি আশ্বাস দিয়াই যদি দায়িত্ব শেষ বুলি ভবা হয়, তেন্তে প্ৰকৃত সমাধান কেতিয়া হ'ব সেই প্ৰশ্ন স্বাভাৱিকতে আহি পৰে।

লাখ লাখ গ্ৰাহকৰ পৰা নিয়মীয়াকৈ বিপুল পৰিমাণৰ ধন সংগ্ৰহ কৰা টেলিকম প্ৰতিষ্ঠানসমূহৰ গ্ৰাহকৰ প্ৰতি এক দায়বদ্ধতা আছে। গ্ৰাহকে কোনো বিনামূলীয়া সেৱা বিচৰা নাই। তেওঁ নিজৰ কষ্টোপাৰ্জিত ধন ব্যয় কৰি সেৱা গ্ৰহণ কৰিছে। সেয়েহে তেওঁ উন্নত, নিৰ্ভৰযোগ্য আৰু মূল্যৰ সৈতে সামঞ্জস্যপূৰ্ণ সেৱা আশা কৰাটো সম্পূৰ্ণ স্বাভাৱিক।

গ্ৰাহকৰ সমস্যাক কেৱল অভিযোগ হিচাপে গণ্য নকৰি ইয়াৰ স্থায়ী সমাধানৰ ব্যৱস্থা কৰা উচিত। নেটৱৰ্কৰ মান উন্নত কৰা, গ্ৰাহকৰ অভিযোগৰ দ্ৰুত সমাধান কৰা আৰু সেৱাৰ মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত অধিক স্বচ্ছতা বজাই ৰখা প্ৰয়োজন। উন্নত সেৱাৰ নামত কেৱল মূল্য বৃদ্ধি কৰি গ'লে নহ'ব, সেই মূল্যৰ বিনিময়ত গ্ৰাহকে বাস্তৱতে কিমান উন্নত সেৱা লাভ কৰিছে, সেই কথাও বিবেচনা কৰিব লাগিব।

গ্ৰাহকসকলেও নিজৰ অধিকাৰ আৰু সমস্যাৰ বিষয়ে সচেতন হ'ব লাগিব। কোনো সেৱা গ্ৰহণ কৰি সমস্যাৰ সন্মুখীন হ'লে নীৰৱ হৈ থকাৰ পৰিৱৰ্তে উপযুক্ত মাধ্যমত অভিযোগ দাখিল কৰা আৰু সমাধান দাবী কৰা উচিত। একে সমস্যাত বহু গ্ৰাহক ভুক্তভোগী হ'লে তেওঁলোকৰ কণ্ঠও ঐক্যবদ্ধ হোৱা প্ৰয়োজন।

মোবাইল সেৱা এতিয়া মানুহৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ। সেয়েহে গ্ৰাহকৰ পৰা ধন সংগ্ৰহ কৰাৰ লগতে তেওঁলোকক মানসম্পন্ন সেৱা প্ৰদান কৰাটোও সমানেই গুৰুত্বপূৰ্ণ। গ্ৰাহক কেৱল সেৱা গ্ৰহণকাৰী নহয়, তেওঁ সেৱাৰ মূল্য পৰিশোধ কৰা ব্যক্তি। গতিকে উন্নত সেৱাৰ নামত অতিৰিক্ত বোজা জাপি দিয়াৰ পৰিৱৰ্তে সুলভ মূল্যত উন্নত আৰু নিৰ্ভৰযোগ্য সেৱা নিশ্চিত কৰাটো সময়ৰ দাবী। গ্ৰাহকসকলে এতিয়া নিজৰ অধিকাৰৰ বাবে মাত মাতিব লাগিব, কাৰণ সচেতন গ্ৰাহকৰ কণ্ঠইহে দায়িত্বশীল সেৱা নিশ্চিত কৰাৰ পথ মুকলি কৰিব পাৰে।

# শৰতৰ আনন্দৰ মজা



বিশ্বজিৎ বৈশ্য,শুৱালকুছি, বংশৰ

কঁহুৱাৰ আঁচলত হাত বুলাই ধৰালৈ সংগোপনে নিম্নগামী হৈছে শৰত। চৌদিশে এতিয়া শাৰদীয় স্নিগ্ধতাৰে আলোকিত হৈ পৰা নৈৰ পাৰ আৰু বালিময় পথাৰত সিচৰিত শুভ্ৰতাৰ দলিচা পাৰি ৰৈ আছে কহুঁৱা। যি দৃশ্যই সকলোকে আকৰ্ষিত কৰে আৰু বাট পথত গৈ থকা বাটৰুৱাইয়োৰৈ এপলক সেই দৃশ্য উপভোগ কৰা দেখা যায়। মানুহৰ বাবে কহুঁৱা মানেই কেৱল এটা উদ্ভিদ নহয়, ই এক শৰতকালৰ সুন্দৰ অনুভূতি যি অনুভূতিৰ দ্বাৰা আমি নিজত মুগ্ধ কৰো। অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰখনত কহুঁৱাৰ এটা সুকীয়া স্থান আছে- যেনে ড° ভূপেন হাজৰিকাৰ কণ্ঠৰ অমৰ সৃষ্টিৰ সেই গীতটো....

"কহুঁৱা বন মোৰ অশান্ত মন
আল ফুল হাততেৰে লোৱা
সাৱতি"....

এনেহেন নিয়ৰসনা মায়াময় পৰিৱেশ, তাৰ মাজেৰে আহি পালে শাৰদীয় উৎসৱৰ আনন্দ। বিশেষকৈ এই কঁহুৱাই বতৰা দিয়ে শাৰদীয় দুৰ্গোৎসৱৰ। পথৰ দাঁতিত ফুলা কঁহুৱা ফুলবোৰ বতাহত হালি-জালি নাচি থকা পৰিলক্ষিত হয়। কহুঁৱাৰ শুভ্ৰ ৰঙে চাৰিওফালৰ দিশটো এক শান্তিময় পৰিৱেশৰ সৃষ্টি কৰে। অৱশেষত শৰতৰ বতাহজাকে কহুঁৱাক লৈ উৰি ফুৰে। নিৰ্মল আকাশৰ তলত শুভ্ৰ বং চটিয়াই কহুঁৱাই জোনাকক হাত বাউল দি মাতে। আলসুৱা বতাহৰ পৰশত কহুঁৱাই প্ৰকৃতিৰ নানা ৰংৰ সৃষ্টিৰ এক প্ৰেৰণা আনে। একেদৰে, মায়াময় নৈসৰ্গিক সেই প্ৰকৃতিয়ে সাধাৰণ লোকৰ পৰা শিল্পী, সাহিত্যিক সকলোকে যুগ যুগান্তৰ ধৰি আকৰ্ষণ কৰি আহিছে কহুঁৱাৰ সেই নিজস্ব পৰিচয়েৰে। এয়াই প্ৰকৃতিৰ সৈতে খেলি ফুৰা এক উদ্ভিদৰ নাচোন, সেই নাচোনত বিভুৰ হৈ পৰো আমি। আৰু ৰৈ যায় স্মৃতিৰ টোপোলা।

# কৃতঘ্ন



দীপিকা ফুকন,চুঙাজান, গোলাঘাট

প্ৰয়োজনত তুমি সাতবাৰ চালাম কৰা
দুৱাৰত আঁঠুলৈ ভিক্ষাৰী হোৱা
মুখত তোমাৰ মধুৰ বাণী
ভৰি চুই কৈ দিয়া –
"তুমি নহ'লে মোৰ দিনতে আন্ধাৰ"
তোমাক মই নদী দিলোঁ
তুমি মোক বালি দিলা।
মই তোমাক ছাঁ দিলোঁ
তুমি মোক কুঠাৰ মাৰিব খুজিলা।
মই বিশ্বাস কৰিলোঁ,
মই তোমাক বুকুৰ তেজ দিলোঁ,
তোমাৰ স্বাৰ্থৰ বাবে
নিজৰ স্বাৰ্থক জলাঞ্জলি দিলোঁ।
আৰু আজি ?
স্বাৰ্থ পূৰণ হ'ল,
মুখা খহি পৰিল।
তুমি নিজকে ভাবা উঠিৰজা-বহিৰজা,
মই তোমাৰ বাটৰ কাঁইট !
যি হাতেৰে তোমাক তুলি ধৰিছিলোঁ,
সেই হাততে তুমি কামুৰিলা,
পানধোৱাত খুৱাইছিলোঁ তোমাক,
সেই থালতে তুমি থুৱাই দিলা !
শুনা হে নিৰ্লজ্জ,
তুমি ভাবিছা তুমি জিকিলা-
নাই, তুমি হাৰিলা।
তুমি এজন মানুহ হেৰুৱালা,
মই এটা বোজাৰ পৰা মুক্ত হ'লোঁ।
তোমাৰ দৰে কৃতঘ্নক
কোনেও কেতিয়াও ক্ষমা নকৰে,
মানুহে মনত নাৰাখে,
কুকুৰেও ঘূৰি নাচায় !

# পুৰুষ বৃক্ষৰ ছাঁ



**শ্ৰুতিস্মীতা দেৱী**

আপুনি জানো সেইজন নহয়
যিজন কাৰোবাৰ প্ৰিয়তম;
কাৰোবাৰ ভাতৃ, কাৰোবাৰ পিতৃ.. !
চিনিছো মই আপোনাক,
আপুনিয়েইতো আছিল
সেইজন যাৰ দুবাহুৰ শকতিত
বিচাৰি পায় নিৰাপত্তাৰ আঁচোৰ...
কিয় বাৰু বিদ্ৰোহী সজালে আপোনাক,
যে আপোনাৰ বিষাদগ্ৰস্ততা ক্ষুব্ধ হৈ পৰিল,
আঁহতৰ শিপাৰ খামোচত গছৰ কুঁহিপাত মেলে।
আপুনি পিতৃ; আশ্ৰয় প্ৰত্যেক সন্তানৰ
আপুনি ভাতৃ; ৰক্ষক প্ৰত্যেক ভগ্নীৰ
আপুনি প্ৰিয়তম, ভালপোৱা প্ৰত্যেক প্ৰেয়সীৰ।
এনে বৰগছৰ ছাঁ,
চন্দ্ৰমাৰ শীতলতা
নিশ্চয় কৈ পুৰুষ....
হাঁহি হাঁহি দুখৰ শুকান চকুলো মচাজন
আপুনিয়েই......
নহয় জানো!
চিনিছো আপোনাক।

# জোনাকী পৰুৱা



**মুন শৰ্মা, লখিমপুৰ**

আন্ধাৰৰ বুকুত তুমি
সৰু সৰু এমুঠি পোহৰৰ চাকি,
নিজে জ্বলি নিজে জ্বলি
নিজানত নীৰৱে
ৰাতিক শিকোৱা হাঁহি।
নেদেখা পথত তুমি
মুঠি মুঠি পোহৰ সিঁচা,
হাজাৰ মৰম হৈ তুমি
নীৰৱে আহি
মোৰ কলিজাত আলফুলে
প্ৰণয়ৰ এজাক মিঠা মলয়া হোৱা

# অসমীয়া সমাজ জীৱনৰ স্বাভিমান ‘গামোচা’ঃ ঐতিহ্য, অস্তিত্ব আৰু বৰ্তমানৰ সংকট



**শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী**

প্ৰস্তাৱনাঃ অসমীয়া জাতীয় জীৱনৰ এক অপৰিহাৰ্য, অমূল্য আৰু আটাইতকৈ পবিত্ৰ সম্পদ হৈছে ‘গামোচা’। তাহানিৰে পৰা অসমীয়া সমাজখনক একতা, সংস্কৃতি আৰু চেনেহৰ ডোলেৰে বান্ধি ৰাখিবলৈ গামোচাখনে এক ঐতিহাসিক ভূমিকা পালন কৰি আহিছে। ই কেৱল মাত্ৰ এখন ব্যৱহাৰিক বস্ত্ৰই নহয়, ই আমাৰ শ্ৰদ্ধা, আদৰ, পৰম্পৰা আৰু স্বাভিমানৰ সৰ্বোচ্চ পৰিচয়। ধৰ্মীয় নামঘৰৰ থাপনাৰ পৰা আৰম্ভ কৰি ৰাজনৈতিক সভা, বিহুৰ মঞ্চ বা ঘৰুৱা বিবাহ উৎসৱলৈকে- গামোচা অবিহনে কোনো এজন অসমীয়াৰ কোনো শুভ কাৰ্যসূচীয়েই কেতিয়াও সম্পূৰ্ণ হ’ব নোৱাৰে।

সংস্কৃতি আৰু শিপিনীৰ হেঁপাহৰ চিৰন্তন সংমিশ্ৰণঃ এখন প্ৰকৃত গামোচাৰ আঁহে আঁহে লুকাই থাকে অসমীয়া শিপিনীৰ অহৰহ কষ্ট, গভীৰ বিশ্বাস আৰু চেনেহৰ হেঁপাহ। ব’হাগ বিহুৰ বতৰত চেনেহৰ দীঘ আৰু চাদৰৰ বাণিৰে যেতিয়া বোৱনীয়ে তাতশালত খটখট শব্দ তুলি গামোচা বয়, তাত প্ৰাণ পাই উঠে সাতামপুৰুষীয়া অসমীয়া সংস্কৃতিয়ে। নিজ হাতেৰে বাছি উলিওৱা প্ৰতিটো ফুল কেৱল সুতাৰ কাৰুকাৰ্য নহয়, ই হ’ল মনৰ নিভৃত কোণৰ মৰমৰ বহিঃপ্ৰকাশ। ব’হাগ বিহুৰ সময়ত ‘বৰবিহুৱান’ হিচাপে প্ৰেমিকাই প্ৰিয়তমক বা সন্তানে মাক-দেউতাক তথা গুৰুজনাক গামোচা উপহাৰ দি আশীৰ্বাদ লোৱাৰ যি চিৰন্তন পৰম্পৰা, ই আমাৰ সামাজিক বান্ধোনক যুগ যুগ ধৰি সুদৃঢ় কৰি ৰাখিছে।

বৰ্তমানৰ ভয়াবহ সংকটঃ যান্ত্ৰিক গামোচাৰ আগ্ৰাসনঃ কিন্তু অত্যন্ত পৰিতাপৰ আৰু চিন্তাৰ বিষয় যে, আধুনিকতা আৰু বাণিজ্যিকীকৰণৰ কবলত পৰি আজি আমাৰ এই পবিত্ৰ ঐতিহ্য এক গভীৰ সংকটৰ মুখত পৰিছে। বৰ্তমান বজাৰত বহিঃৰাজ্যৰ পৰা অহা সস্তীয়া, মেচিন-মেড (Machine-made) গামোচাৰ এক ভয়াবহ বান উথলি উঠিছে। কোনো সাঁচ বা শিপিনীৰ স্পৰ্শ নোহোৱাকৈ মেচিনত হাজাৰ হাজাৰ সংখ্যাত তৈয়াৰ কৰা এই যান্ত্ৰিক গামোচাবোৰে আমাৰ থলুৱা বজাৰখন সম্পূৰ্ণৰূপে গ্ৰাস কৰি পেলাইছে।

এই সস্তীয়া যান্ত্ৰিক গামোচাসমূহৰ বাবে আমাৰ সমাজত মূলতঃ দুটা ডাঙৰ বিপৰ্যয় আহি পৰিছেঃ গুণগত মান আৰু মৰ্যাদাৰ চৰম অৱনতি: এই সস্তীয়া, সুতাৰ নামত প্লাষ্টিক মিহলি কাপোৰবোৰে গামোচাৰ প্ৰকৃত ধৰ্মই পালন কৰিব নোৱাৰে। ইয়াৰে না মুখ-হাত মচিব পাৰি, না শৰীৰ জুৰাব পাৰি। গৰমত ডিঙিত ল’লে ই উলটি ছালৰ ব্যাধি বা যন্ত্ৰণাহে দিয়ে। আটাইতকৈ ডাঙৰ কথা, বিভিন্ন সভা-সমিতিত বা ৰাজহুৱা অনুষ্ঠানত বিশিষ্ট অতিথিক সন্মান জনাবলৈ গৈ এনেকুৱা মানহীন গামোচা পিন্ধাই দিয়াটো শ্ৰদ্ধাৰ সলনি একপ্ৰকাৰৰ উপহাস আৰু লোকদেখুওৱা ফৰ্মেলিটি (Formality) হে হৈ পৰিছে। ই আমাৰ চহকী সংস্কৃতিৰ অতি ভুল ছবি এখন বহিৰাগতৰ সন্মুখত দাঙি ধৰে।

থলুৱা শিপিনীৰ অৰ্থনীতিত মোক্ষম আঘাতঃ দিনে-ৰাতিয়ে কষ্ট কৰি থলুৱা তাঁত শালত কাপোৰ বোৱা আমাৰ গাঁৱৰ দৰিদ্ৰ তথা মধ্যবিত্ত শিপিনীসকলে এই মেচিন-মেড গামোচাৰ সস্তীয়া মূল্যৰ সৈতে প্ৰতিযোগিতাত টিকি থাকিব পৰা নাই। ফলত তেওঁলোকৰ জীৱিকাত চৰম আঘাত পৰিছে আৰু বহুতে বাধ্য হৈ এই পবিত্ৰ বৃত্তিটোকে এৰি দিবলগীয়া হৈছে।

সজাগতাৰ প্ৰয়োজনীয়তা আৰু জুবিন গাৰ্গৰ প্ৰতিবাদঃ এই সাংস্কৃতিক ধ্বংসলীলাৰ বিৰুদ্ধে অসমৰ জনপ্ৰিয় সাংস্কৃতিক কাণ্ডাৰী জুবিন গাৰ্গ আদিকে ধৰি বহু সচেতন ব্যক্তিয়ে বিভিন্ন সময়ত বিহু মঞ্চৰ পৰাই এনে মেচিন-মেড গামোচাক বৰ্জন কৰিবলৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। মঞ্চত পিন্ধাই দিয়া মেচিন-মেড গামোচা দলিয়াই দি জুবিন গাৰ্গে দিয়া হুংকাৰে সমগ্ৰ অসমবাসীক কঁপাই গৈছিল আৰু প্ৰমাণ কৰিছিল যে সংস্কৃতিৰ নামত ভণ্ডামি কেতিয়াও গ্ৰহণযোগ্য নহয়। চৰকাৰে যদিও অসমীয়া গামোচাক ‘GI Tag’ (Geographical Indication) প্ৰদান কৰিছে, তথাপিও কেৱল চৰকাৰী আইন বা পুলিচ-প্ৰশাসনৰ জৰিয়তে বজাৰৰ এই ক’লা বেহা সম্পূৰ্ণ বন্ধ কৰা সম্ভৱ নহয়।

উপসংহাৰ আৰু আমাৰ দৃঢ় সংকল্পঃ গামোচা আমাৰ চিনাকি, আমাৰ চিৰন্তন অস্তিত্ব। ইয়াৰ সুৰক্ষাৰ বাবে প্ৰতিগৰাকী অসমীয়া গ্ৰাহক, যুৱ প্ৰজন্ম আৰু বিশেষকৈ সভা-সমিতি তথা বিহু সন্মিলনৰ উদ্যোক্তাসকল সজাগ হ’ব লাগিব। ৰাজহুৱা অনুষ্ঠানত হাজাৰখন সস্তীয়া গামোচা বিতৰণ কৰাতকৈ কম সংখ্যক ব্যক্তিক হ’লেও কেৱল প্ৰকৃত হাতে বোৱা থলুৱা গামোচাৰে সন্মান জনোৱাৰ নিয়ম কৰিব লাগে। মেচিন-মেড গামোচাক সামাজিকভাবে সম্পূৰ্ণৰূপে বৰ্জন কৰি থলুৱা তাঁত শিল্পক আদৰি লোৱাটোৰেই হ’ব আমাৰ ঐতিহ্য ৰক্ষাৰ প্ৰকৃত সংকল্প। আমাৰ ঘৰৰ পৰাই এই সংকল্প আৰম্ভ হ’ব লাগিব, তেতিয়াহে জীয়াই থাকিব আমাৰ স্বাভিমান, আমাৰ কলা-সংস্কৃতি আৰু অসমীয়া জাতি।

# কাজিৰঙাৰ সৌন্দৰ্য অসমৰ গৌৰৱ

দুলুমণি দেৱী, মাকুম



বনৰীয়া জীৱজন্তুৰ বিচৰণ যেতিয়া ৰাষ্ট্ৰীয় ঘাইপথৰ কাযত প্ৰত্যক্ষ হয় ইয়াৰ কাৰণ কি হ'ব পাৰে বাৰু...।

নিশ্চয় খাদ্য আৰু বাসস্থান বিচাৰিয়ে ওলাই আহে। বাৰিষা বতৰত বনৰীয়া জীৱ জন্তুৱে থকা ঠাইৰ বাবে ওখ ঠাই বিচাৰে।

এবাৰ গুৱাহাটীৰ পৰা যোৰহাট অভিমুখে আহি থাকোতে দেখা পাইছিলো ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে হৰিণৰ পোৱালী কেইটামানে অতি আনন্দমনে দৌৰি আছে।বাছখন লাহে লাহে অহাৰ বাবে সিহঁতক ভালদৰে প্ৰত্যক্ষ কৰিব পাৰিছিলো। কাজিৰঙা অভয়াৰণ্যৰ ওচৰতে এই দৃশ্য দেখা পাই ভাবিলো সিহঁতৰ থাকিবলৈ অৰণ্যৰ মাজত চাগে বহুত কষ্ট হৈছে, কাৰণ চাৰিওফালে বানপানী, তেনে পৰিবেশত সিহঁত ক'ত যাব কি কৰিব। কেৱল হৰিণে নহয় অনান্য বেলেগ বেলেগ প্ৰজাতিৰ চৰাই চিৰিকতি বোৰো উৰা মাৰিছে, জীৱজন্তুবোৰে খাদ্যৰ সন্ধানত ওলাই আহিছে।এই দৃশ্য দেখা পোৱাৰ পাছত অনুভৱ কৰিছিলো আমি মানুহেই সিহঁতৰ মুখৰ আহাৰ, থকা ঠাই বহুপৰিমানে আজুৰি লৈছো, নহলেনো সিহঁত এনেকৈ ওলাই আহেনে?

এতিয়া ইক' ছেনচিছিটিভ জ'ন ৰ কথা কৈ আছে, এয়া সম্ভৱ কেনেকৈ ? ভাবিছে কিয় তাকেহে আচৰিত হৈছো । এবাৰ বন্যপ্ৰাণীৰ কথা ভাবক, এক কিলোমিটাৰ কৰিলে, দহৰ পৰা কিমান সমস্যা হ'ব ? সেই মৰমলগা হৰিণৰ পোৱালীবোৰ বাঘ, গড় ইত্যাদিৰ লগত একেলগে সহৱস্থান কৰিব পাৰিবনে ? পৰ্যটকে কি চাবলৈ আহে ? ফাইভ ষ্টাৰ হোটেল নে চৰাই চিৰিকতি, বনৰীয়া জীৱজন্তু তথা প্ৰাকৃতিক সৌন্দৰ্য ? যদি প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ বিচাৰে তাত আধুনিকতাৰ অত্যাধিক পৰশে পৰিবেশ প্ৰাকৃতিক কৰি ৰাখিব পাৰিবনে ? জীৱজন্তুবোৰ ঠেক ঠাইৰ মাজত আৱদ্ধ হৈ কি খাব বাৰু প্ৰকৃতিৰ পৰা কি পাব ? গতিকে সকলোৱে বিষয়টো দকৈ চিন্তা কৰি সমাধানৰ উপায় বিচাৰি লওঁক, । সিহঁতৰ বাবে পাৰিলে ওখ ঠাইৰ ব্যৱস্থা কৰক।

পৰ্যটকৰ আকৰ্ষণথলী তেতিয়াহে হ'ব যেতিয়া কাজিৰঙাৰ প্ৰাণীসমূহ সম্পূৰ্ণ সুৰক্ষিত হ'ব অসমৰ গৌৰৱ কাজিৰঙা জীৱজন্তুৰ কথা প্ৰথমে ভাবিব লাগিব । বহল ঠাই ওখ ঠাই দিবই লাগিব, অন্যথা বহু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব।

# বুকুৰ বেথা



মেৰী বৰদলৈ,নগাঁও, ফুলগুৰি

ক'ত থওঁ
কি কৰোঁ
কাক কওঁ
বুকুৰ অযুত বেথা
মনৰ ভিতৰতে
আছে কলকলাই।
চুহি চুহি খাইছে
কলিজাটো এফালৰপৰা
নাজানো কিয়
শব্দবোৰচোন আজি
আছেহি দুটি ওঁঠত
ভুনভুনাই।
মুখা পিন্ধা
মুখবোৰ আৰু কিমান চাবা
ক'লেই জানো
বুজি পাব
বুকুৰ বেথা
সলাগ সকলোৱে ল'ব
পিছে আন্ধাৰৰ
সুযোগলৈ
সিহঁতেই উপলুঙা কৰিব
কিৰিলিয়াই!

# শিশুৰ মানসিক বিকাশত বাতৰি কাকতৰ অৱদান

যোৰাখণ্ডৰ পৰা..

শংকৰ দেৱ, দেৰগাঁও



সমাজত সংঘটিত বিভিন্ন দুঃখজনক ঘটনা, প্ৰাকৃতিক দুৰ্যোগ, দৰিদ্ৰ লোকৰ সমস্যা বা সমাজসেৱামূলক কাৰ্যকলাপৰ বিষয়ে পঢ়ি শিশুৰ মনত সহানুভূতি, মানৱতা আৰু সামাজিক দায়িত্ববোধ গঢ়ি উঠে। তেওঁলোকে বুজিবলৈ শিকে যে সমাজত কেৱল নিজৰ কথা ভাবিলেই নহয়, আনৰ প্ৰতিও দায়িত্ব পালন কৰিব লাগে। এই মূল্যবোধসমূহেই এজন শিশুক ভৱিষ্যতে সুস্থ মানসিকতাৰ নাগৰিক হিচাপে গঢ়ি তোলে।

আধুনিক সমাজত শিশুসকলৰ নৈতিক শিক্ষাৰ ক্ষেত্ৰত এক সংকট দেখা গৈছে। এই ক্ষেত্ৰত বাতৰি কাকতে ইতিবাচক ভূমিকা পালন কৰিব পাৰে। মহান ব্যক্তিসকলৰ জীৱন কাহিনী, সফলতাৰ গল্প, সমাজসেৱামূলক কাৰ্যকলাপ বা দেশপ্ৰেমমূলক লেখা শিশুৰ মনত নৈতিকতা আৰু আদৰ্শবোধ জাগ্ৰত কৰে।ই তেওঁলোকক সুস্থ মূল্যবোধেৰে জীৱন গঢ়িবলৈ অনুপ্ৰাণিত কৰে।

বিদ্যালয় সমূহতো 'বাতৰি কাকত পঢ়া' ৰ সংস্কৃতি গঢ়ি তোলাৰ পৰিবেশ সৃষ্টি কৰি ল'ব লাগে। এই ক্ষেত্ৰত ঠাই বিশেষে বৰ্তমানে বহু বিদ্যালয়ত "নিউজ পেপাৰ ৰিডিং কৰ্ণাৰ" স্থাপন কৰা দেখা পোৱা গৈছে, য'ত শিক্ষাৰ্থীয়ে নিয়মিতভাৱে বাতৰি কাকত পঢ়াৰ সুযোগ লাভ কৰিবলৈ সক্ষম হৈছে। এনে পদক্ষেপে শিশুসকলৰ মানসিক বিকাশত যথেষ্ট ইতিবাচক প্ৰভাৱ পেলায়। লগতে, সংবাদপত্ৰৰ মাধ্যমে শিশুসমূহক ডিজিটেল মাধ্যমৰ ভুৱা খবৰ আৰু অপপ্ৰচাৰৰ পৰা সজাগ হোৱাতো সহায় কৰে। তথাপিও, শিশুৰ বাবে উপযুক্ত বাতৰি নিৰ্বাচন কৰাৰ ক্ষেত্ৰত অভিভাৱক আৰু শিক্ষকৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। সকলো বাতৰি শিশুৰ বাবে উপযোগী নহ'বও পাৰে। সহিংসতা, অপৰাধ বা নেতিবাচক খবৰৰ প্ৰভাৱ কোমল মনত বেয়া প্ৰভাৱ পেলাব পাৰে। সেয়ে অভিভাৱকে শিশু উপযোগী শিতানসমূহ যেনে- বিজ্ঞান, শিক্ষা, খেল-ধেমালি, শিশু সাহিত্য, প্ৰেৰণাদায়ক কাহিনী আদি পঢ়িবলৈ উৎসাহিত কৰিব লাগে।

শেষান্তৰত ক'ব পাৰি যে বাতৰি কাকত হৈছে শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ এক শক্তিশালী মাধ্যম। ই শিশুক জ্ঞানী, সচেতন, যুক্তিবাদী, সৃষ্টিশীল আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তুলিবলৈ সহায় কৰে। সঠিক দিশ-নিৰ্দেশনা আৰু নিয়মিত পাঠৰ অভ্যাসে শিশুৰ জীৱনত এক ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। সেয়েহে পৰিয়াল, বিদ্যালয়, সমাজ আৰু চৰকাৰ-সকলোৱে দায়িত্ব হ'ল শিশুসকলক বাতৰি কাকত পঢ়াৰ প্ৰতি উৎসাহিত কৰা আৰু এক সুস্থ পাঠ সংস্কৃতি গঢ়ি তোলা।

# সেই প্ৰেমৰ ষ্টেচনটোত



হেৰম্ব নাথ

বহু কথা আছিল ক'বলৈ
কোৱাই নহ'ল বুকুৰ কথাবোৰ
ল'গ পাম চাগে আকৌ
সেই প্ৰেমৰ ষ্টেচনটোত
প্ৰাণখুলি ক'ম
আধৰুৱা কথাবোৰ
কিয় তোমাৰ মৰম বিচাৰি
খাইছিলোঁ হাবাথুৰি....!

# ফাষ্টট্ৰেক আদালতত চতুৰ্থদিনাও

দি আজি বহুত ভাগৰি গ'লোঁ। কথাবোৰ বহুত সাৱধানে ক'বলগীয়া হৈছে যাতে দোষী সাব্যস্ত হয়। কাৰণ ছিংগাপুৰত ঘটা ঘটনাৰ আমি সাক্ষী আছিলোঁ। গোটেইখিনি আমাৰ চকুৰ আগত হোৱা ঘটনা। আদালতত তাৰ গোটেই বিৱৰণ দিবলগীয়া হৈছে যাতে তেওঁলোক গম পায়, তাত কেনেকৈ কোন দোষী, কোন নিৰ্দোষী। ফাষ্টট্ৰেক আদালতে গোচৰটো আগুৱাই নিয়াৰ ক্ষেত্ৰত খৰতকীয়াভাৱে আৰু সূক্ষ্মভাৱে বিচাৰ কৰা বুলি উল্লেখ কৰি তন্ময় ফুকনে কয় যে অহা দুই-তিনি মাহৰ ভিতৰতে গোচৰটোৰ চূড়ান্ত ৰায়দান আহি যাব পাৰে। সাক্ষ্য দিয়াৰ পিছত সাংবাদিকৰ আগত তেওঁ এটা কথা স্পষ্টভাৱে স্বীকাৰ কৰে যে জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত সন্মুখতেই তেওঁ আছিল। জুবিন গাৰ্গৰ সৈতে তেওঁৰ বহু দিনীয়া সম্পৰ্ক থকাৰ কথা উল্লেখ কৰি কেইবাটাও গুৰুত্বপূৰ্ণ তথ্য দাঙি ধৰে। অৱশ্যে তেওঁ শ্যামকানু মহন্তক চিনি নাপায় বুলি উল্লেখ কৰি ন্যায়ালয়ত চলি থকা গোচৰটো সন্দৰ্ভত বহুকেইটা স্পষ্ট কথা কোৱাৰ পৰা ফুকন বিৰত থাকে। তেওঁ মাথোঁ কয় যে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰিয়েই তেওঁ অসমলৈ আহিছে। যোৱা চাৰিদিন ধৰি ফাষ্টট্ৰেক আদালতৰ লগতে এজনীয়া আয়োগত সাক্ষ্য প্ৰদান কৰি সমগ্ৰ বিষয় অৱগত কৰিছে। তেওঁ পুনৰ কয় যে সমগ্ৰ ঘটনাটো তেওঁৰ চকুৰ সন্মুখতেই ঘটিছে। যিজন মানুহৰ গান শুনি তেওঁ ডাঙৰ-দীঘল হৈছে, সেইজন মানুহ চকুৰ সন্মুখতেই নাইকিয়া হোৱাটো কিমান দুখৰ বিষয় সেইটো কোৱাটো কঠিন। তেওঁ আৰু কয় যোৱা এটা বছৰ ধৰি মই একো কৰিব পৰা নাই। কথাযাৰ ভাবি চাওকচোন মই কিমান যন্ত্ৰণাত আছে। ইফালে উচ্চ ন্যায়ালয়ত গোচৰটোৰ অন্যতম অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ জামিন আবেদনৰ শুনানি সম্পূৰ্ণ নহ'ল। আনহাতে জুবিন গাৰ্গৰ পিএছঅ' পৰেশ বৈশ্যৰো জামিনৰ শুনানি সম্পন্ন নহ'ল। পৰেশ বৈশ্যৰ জামিনৰ শুনানিৰ পৰৱৰ্তী দিন অহা ১৫ অক্টোবৰ ধাৰ্য কৰিছে আদালতে।

## কটন বিশ্ববিদ্যালয়

সম্পাদিকাৰূপে দিশা পাঠক, ছাত্ৰী জিৰণি কোঠাত লিজা পেগু আৰু লঘু ক্ৰীড়া বিভাগত নন্দিনী দলে বিজয়ী হয়। ছাত্ৰ একতা সভাৰ চাৰিটা পদ আঁজুৰি আনিবলৈ সক্ষম হৈছে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে। ইয়াৰে সহকাৰী সাধাৰণ সম্পাদকত চাইনী বৰুৱা, এথলেটিকছত কৃশামণি ৰাভা, ছাত্ৰ জিৰণি কোঠাত দিব্যজ্যোতি ৰাভা আৰু সমাজসেৱা বিভাগত গীতসৃষ্টি হাজৰিকাই বিজয়ী হ'বলৈ সক্ষম হয়। একেদৰে টেনিছ-সাঁতোৰ আৰু জিমনাচিয়ামত নয়নজ্যোতি লয়িঙে বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হয়। ছাত্ৰ একতা সভাৰ ঘোষিত ফলাফলৰ পাছত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয় বিশ্ববিদ্যালয় চৌহদত। নিজা নিজা সমৰ্থিত প্ৰাৰ্থীয়ে বিজয়ী হোৱাৰ বাবে এক আবতৰীয়া উৎসৱৰ যেন সৃষ্টি হয় চৌহদত। বিজয়ী প্ৰাৰ্থীসকলক লৈ সমৰ্থকসকলে বিজয় উৎসৱ পালন কৰিলে।

## ডিব্ৰুগড়ৰ শ্ৰী শ্ৰী

আগত ৰাখি এই অভিযানৰ আৰম্ভ কৰিছে। দিনজোৰা কাৰ্যসূচীৰে গ্ৰহণ কৰা অনুষ্ঠানত চৌহদ নিকাকৰণৰ পাছতে তেওঁলোকে বানীপুৰৰ এখন বিদ্যালয়ত উপস্থিত হয় আৰু তাৰ ওচৰ-পাজৰৰ গাওঁসমূহ পৰিস্কাৰ কৰাৰ প্ৰচেষ্টা চলায়। উল্লেখযোগ্য যে শিক্ষাৰ্থীসকলৰ এনে পদক্ষেপে সমাজলৈ পৰিচ্ছন্নতাৰ এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য ড° হিৰেন্দ্ৰ নাথ শৰ্মাই 'স্বচ্ছ পৰিৱেশ সুস্থ জীৱনৰ অন্যতম আধাৰ'- ওপৰত ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি নিজৰ অভিমত দাঙি ধৰে। অনুষ্ঠানত বিশ্ববিদ্যালয় পঞ্জীয়ক, পংকজ বৰঠাকুৰ, বিশ্ববিদ্যালয়ৰ শিক্ষক, শিক্ষয়িত্ৰীৰ লগতে কৰ্মচাৰী সকলেও অংশ গ্ৰহণ কৰে।

## পৰিচয়-পত্ৰ নোহোৱাকৈ

জৰুৰীকালীন চিকিৎসাৰ হেল্পলাইন নম্বৰ ১০৮ আৰু ১০৪ লিখা থাকিব লাগিব। পৰিচয়-পত্ৰ পৰীক্ষা নকৰাকৈ হোটেল, হোমষ্টে আদিত প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। পঞ্জীয়ন বহী বৰ্তাই ৰখাটো বাধ্যতামূলক কৰা হৈছে। আধাৰ, পানকাৰ্ড, ড্ৰাইভিং লাইচেঞ্চ আদি নথি জমা লোৱাটো বাধ্যতামূলক কৰা হৈছে। আৰক্ষীয়ে জাৰি কৰা এই এছঅ'পি নামানিলে এই প্ৰতিষ্ঠানসমূহ বন্ধ কৰাৰ কথাও কোৱা হৈছে। উল্লেখ্য যে ধনৰ লোভত আইন ভংগ কৰিলে বা অবৈধ কাৰবাৰ চলাই নিলে প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ কথাও ঘোষণা কৰা হৈছে। ইফালে একাংশ হোমষ্টে আৰু গেষ্টহাউছে পালন কৰিবলগীয়া বহু নীতি-নিয়ম নামানি একাংশ যুৱক-যুৱতী তথা অসামাজিক লোকক থাকিবলৈ দিয়া বুলি অভিযোগ উঠাৰ পাছতে সেইসমূহ হোমষ্টে আৰু গেষ্টহাউছক নিয়ন্ত্ৰণৰ বাবে কঠোৰ আইন প্ৰণয়নৰো দাবী উঠিছে।

## কুমাৰপাৰা শ্ৰী শ্ৰী

তথা ভৱলুমুখ মণ্ডল বিজেপিৰ মিডিয়া আহ্বায়ক কমল কুমাৰ, সত্ৰীয়া সংস্কৃতিৰ সাধক মঞ্জুমণি বৰা, লোকশিল্পী ৰঞ্জন বড়ো, ভৱলুমুখ মণ্ডল বিজেপিৰ সভাপতি কণক দাস আৰু নাট্য নিৰ্দেশক দৰ্শন ভট্ট। উল্লেখ্য যে, 'ভাৰৱীয়া'ৰ সম্পাদক গৌতম কুমাৰ দাসৰ প্ৰত্যক্ষ তত্বাৱধানত এই জ্ৰদিনীয়া প্ৰশিক্ষণ পৰিচালিত হ'ব। কনকন শিশুসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ লগতে থলুৱা লোকসংস্কৃতিৰ প্ৰতি ৰুচি আৰু ধাউতি বৃদ্ধি কৰাৰ লক্ষ্যৰেই এই কৰ্মশালাৰ আয়োজন কৰা হৈছে বুলি আয়োজক পৰিষদে জানিবলৈ দিয়ে।

## ৰাজ্যত শীঘ্ৰে আৰম্ভ হ'ব শিক্ষকৰ

চাৰিটাকৈ ক্লাছ ল'ব লাগিব। ইফালে শিক্ষামন্ত্ৰীগৰাকীয়ে ইয়াকো ঘোষণা কৰে যে শিক্ষা বিভাগে ২,৫০০ বিদ্যালয় চৌহদত দেৱাল নিৰ্মাণৰ লক্ষ্য লৈছে। সেই অনুসৰি ভিবি জি-ৰাম জি আঁচনিৰ অধীনত অতি সোনকালেই শিক্ষানুষ্ঠানসমূহৰ দেৱালয় নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব। শিক্ষামন্ত্ৰীগৰাকীয়ে কয়- ৰাজ্যত ৪৫ হাজাৰ বিদ্যালয় চয় হাজাৰ গাঁৱত সিঁচৰতি হৈ আছে। গতিকে এই সকলো বিদ্যালয় চৌহদত দেৱাল নিৰ্মাণৰ কামৰ বাবে কিছু সময়ৰ প্ৰয়োজন হ'ব। বিভাগে এটা মিছন মুডত কামখিনি কৰি গৈ আছোঁ। ইফালে ৰাজ্যত ভৱিষ্যতে আৰু প্ৰাথমিক পৰ্যায়ৰ বৃত্তি পৰীক্ষা অনুষ্ঠিত কৰা নহয় বুলি আজি স্পষ্ট কৰে শিক্ষামন্ত্ৰীয়ে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়- বৃত্তি পৰীক্ষাত বিভাগৰ এটা অভিজ্ঞতা হ'ল যে বৃত্তি লাভ কৰা শিক্ষাৰ্থীয়ে লাভকৰা ধনৰাশি ফি'ড ডিপ'জিট কৰাৰ যি ব্যৱস্থা, সেই ব্যৱস্থাৰ জৰিয়তে শিক্ষাৰ্থীসকলে তেওঁলোকৰ ধনৰাশি পৰৱৰ্তী পৰ্যায়ত বেংকৰ পৰা উলিওৱাৰ ক্ষেত্ৰত যথেষ্ট জটিলতাৰ সন্মুখীন হৈ আহিছে। যিহেতু চৰকাৰে গুণোৎসৱক বিকল্প ব্যৱস্থা হিচাপে গ্ৰহণ কৰি আহিছে, সেয়েহে গুণোৎসৱৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই নিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বৃত্তি পৰীক্ষাৰ জৰিয়তে নিৰ্দিষ্ট কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীক আগুৱাই নিয়াৰ পৰিৱৰ্তে সকলো ছাত্ৰ-ছাত্ৰীক আগুৱাই নিব বিচাৰিছে বিভাগে। ইফালে বিদ্যালয়ৰ পাঠদান আৰম্ভ হোৱাৰ পাছত কোনো বাহিৰা লোক বিদ্যালয়ত প্ৰৱেশ কৰিব নোৱাৰাকৈ গেটত তলা লগাই দিয়াৰ বাবে শিক্ষা বিভাগে বিদ্যালয়সমূহক নিৰ্দেশনা জাৰি কৰা বুলি শেহতীয়াকৈ প্ৰকাশিত এক বাতৰিকো শিক্ষামন্ত্ৰীগৰাকীয়ে নস্যাৎ কৰে। এই প্ৰসংগত তেওঁ কয়- শিক্ষা বিভাগৰ তৰফৰ পৰা চৰকাৰী বিদ্যালয় অথবা প্ৰাদেশীকৃত বিদ্যালয়ত বাহিৰা লোকৰ প্ৰৱেশ নিষেধ কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ নিৰ্দেশনা জাৰি কৰা হোৱা নাই। বিদ্যালয়সমূহ পৰিচালনা কৰাৰ ক্ষেত্ৰত স্কুল ৰুলবুক আছে। সেই অনুসৰিয়েই বিদ্যালয়সমূহ পৰিচালিত হয়। বৰ্তমান বিদ্যালয়সমূহত অভিভাৱকৰ অংশগ্ৰহণত যথেষ্ট গুৰুত্ব দিয়া হৈছে। তদুপৰি ৰাইজৰ অংশগ্ৰহণ আৰু গুণোৎসৱৰ মূল্যায়নৰ ক্ষেত্ৰতো গুৰুত্ব প্ৰদান কৰা হৈছে। এনেস্থলত কোনো ব্যক্তিৰ বিদ্যালয়ত প্ৰৱেশত বাধা দিয়া বা তলা মাৰি দিয়া সেয়া সম্পূৰ্ণৰূপে ভিত্তিহীন। মন্ত্ৰীগৰাকীয়ে কয় যে এনে ভুৱা বাতৰি প্ৰকাশৰ ক্ষেত্ৰত দুগৰাকী চিআৰচিচিক কাৰণ দৰ্শোৱাৰ জাননী প্ৰকাশ কৰা হৈছে। উল্লেখ্য যে কামৰূপ মহানগৰ জিলাৰ দুগৰাকী চিআৰচিচিক এনেধৰণৰ ভুৱা বাতৰি প্ৰকাশৰ বাবেই জিলা প্ৰাথমিক শিক্ষা বিষয়াই ইতিমধ্যে জাননী জাৰি কৰিছে।

## ডিব্ৰুগড়ৰ এম জে বি টি বাছ

নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণৰ পথ বাছি ল'বলগীয়া হৈছে। সন্থাই দাবী কৰা মতে, এটি পঞ্জীয়নভুক্ত বাছ মালিক সংস্থা হিচাপে তেওঁলোকৰ নিজা নিয়ম আৰু নীতি-নিৰ্দেশনা আছে। ইয়াৰ অধীনত বাছৰ টাইম কাৰ্ড প্ৰদান, টাইম টেবুল সংৰক্ষণ আৰু টাইম কীপাৰ বা লাইনমেন নিযুক্তি দিয়াৰ সম্পূৰ্ণ নিয়মগত অধিকাৰ তেওঁলোকৰ আছে। কিন্তু শেহতীয়াকৈ এই সুসংহত ব্যৱস্থাক সম্পূৰ্ণৰূপে আওকাণ কৰি একাংশ লেচী আৰু আন কিছু ব্যক্তিয়ে বাছ চলাচলৰ সময়সূচী তথা নিয়ন্ত্ৰণ নিজৰ হাতলৈ নিয়াৰ অপচেষ্টা চলাইছে বুলি তেওঁলোকে অভিযোগ তোলে। এছ'চিয়েশ্যনৰ আন এক গুৰুতৰ অভিযোগ হ'ল- কোনো ধৰণৰ আগজাননী বা পূৰ্বসূচনা অবিহনে হঠাতে পাৰ্কিং মাচুল ৮০ টকাৰ পৰা বৃদ্ধি কৰি পোনপটীয়াকৈ ১০০ টকা ধাৰ্য কৰা হৈছে। এই অনৈতিক মাচুল বৃদ্ধিৰ বিৰুদ্ধে পৌৰনিগমৰ ওচৰত অভিযোগ দাখিল কৰাৰ বাবেই তেওঁলোকৰ দ্বাৰা নিযুক্ত লাইনমেনসকলক বিভিন্ন প্ৰকাৰে হাৰাশাস্তি কৰাৰ লগতে দায়িত্ব পালনত বাধা প্ৰদান কৰা হৈছে বুলিও সন্থাই ক্ষোভ প্ৰকাশ কৰে। সংস্থাটোৰ তথ্য অনুসৰি, যোৱা ১৫ আগষ্টৰ স্বাধীনতা দিৱসৰ বন্ধৰ পিছদিনা অৰ্থাৎ ১৬ আগষ্টৰ পৰাই এই সংঘাত অধিক তীব্ৰ ৰূপ লয়। বাছ চলাচলৰ সঠিক সময়সূচীৰ অভাৱত আৰু খেলিমেলিৰ ফলত সাধাৰণ যাত্ৰীসকল বাৰুকৈয়ে দুৰ্দশাৰ সন্মুখীন হ'ব লগা হৈছে। বহু গুৰুত্বপূৰ্ণ বাছ নিৰ্ধাৰিত সময়ত গন্তব্যস্থানত উপস্থিত হ'ব নোৱাৰাত যাত্ৰী তথা ছাত্ৰ-ছাত্ৰী আৰু দৈনিক যাত্ৰা কৰা লোকসকল ব্যাপক অসুবিধাৰ সন্মুখীন হৈছে। এই সমগ্ৰ সমস্যাটো অৱগত কৰি জিলা প্ৰশাসন, পৌৰসভাৰ আয়ুক্ত তথা মেয়ৰলৈ লিখিত আবেদন আৰু এজাহাৰ দাখিল কৰা হৈছিল যদিও আজিলৈকে কোনো আশানুৰূপ বা ইতিবাচক সঁহাৰি লাভ কৰা নাই বুলি এছ'চিয়েশ্যনে অভিযোগ কৰে। বৰ্তমান ইষ্টাৰ্ণ বাছ অনাৰ্ছ এছ'চিয়েশ্যনৰ অধীনত প্ৰায় ৭৫ খন যাত্ৰীবাহী বাছ পৰিচালিত হৈ আছে। এই বাছসমূহ ডিব্ৰুগড়ৰ পৰা যোৰহাট, লক্ষীমপুৰ, ধেমাজি, চিলাপথাৰ, ধলা, জাগুন, ডুমডুমা আৰু তিনিচুকীয়াকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ পথত চলাচল কৰে। এই সকলোবোৰ বাছৰ চলাচল শৃংখলাবদ্ধ কৰিবলৈ আৰু সংঘাত এৰাই চলিবলৈ আজিৰ পৰাই প্ৰতিখন বাছৰ বাবে নিজা টাইম কীপাৰ বা লাইনমেন নিয়োগ কৰাৰ সিদ্ধান্ত কাৰ্যকৰী কৰা হৈছে। প্ৰশাসনে যদি শীঘ্ৰে এই সমস্যালৈ নজৰ দি উপযুক্ত পদক্ষেপ গ্ৰহণ নকৰে, তেন্তে পৰৱৰ্তী সময়ত সংস্থাটোৱে আৰু অধিক কঠোৰ গণতান্ত্ৰিক আন্দোলন বা পদক্ষেপ গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি প্ৰশাসন আৰু সংশ্লিষ্ট পক্ষক সকীয়াই দিছে।

# অসমত ইউচিচি ৰূপায়ণৰ পথ মুকলি

ভিত্তিত বিবাহ বিচ্ছেদৰ আবেদন কৰিব পাৰিব। মহিলাক ইউচিচিয়ে এক বিশেষ সুৰক্ষা প্ৰদান কৰিব। স্বামীয়ে বলাৎকাৰ বা অস্বাভাৱিক যৌন অপৰাধ কৰিলে অথবা ইউচিচি কাৰ্যকৰী হোৱাৰ পূৰ্বে একাধিক পত্নী থাকিলে অতিৰিক্ত ভিত্তিত বিবাহ বিচ্ছেদ বিচাৰিব পাৰিব মহিলাই। পাৰস্পৰিক সন্মতিত বিবাহ বিচ্ছেদৰ ক্ষেত্ৰত ইউচিচিত ৰখা ব্যৱস্থা এনেধৰণৰ- এবছৰ পৃথকে থকাৰ পাছত দুয়োপক্ষৰ সন্মতিত বিবাহ বিচ্ছেদৰ অনুমতি থাকিব। বিশেষ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দ্ৰুত নিষ্পত্তি কৰিব পাৰিব আদালতে। ইউচিচিত তিনি তালাক নিষিদ্ধ কৰা হৈছে। তাৎক্ষণিক তিনি তালাক বৈধ নহ'ব। কেৱল আদালতৰ আদেশৰ জৰিয়তেহে কাৰ্যকৰী হ'ব বিবাহ বিচ্ছেদ। সেইদৰে স্বামী বা পত্নীয়ে আনজনৰ পৰা ভৰণ-পোষণ দাবী কৰিব পাৰিব। ইউচিচিয়ে বিবাহৰ ন্যূনতম বয়স নিৰ্ধাৰণ কৰি দিছে। পুৰুষৰ ক্ষেত্ৰত ২১ বছৰ আৰু মহিলাৰ বাবে ১৮ বছৰ। অনুৰূপ ধৰণে বাধ্যতামূলক হ'ব এক বিবাহ। অৰ্থাৎ বিবাহৰ সময়ত জীৱিত স্বামী বা পত্নী থাকিব নোৱাৰিব। কাৰ্যতঃ ইয়াৰ দ্বাৰা বহুবিবাহ নিষিদ্ধ কৰা হৈছে। ইউচিচি কাৰ্যকৰী হোৱাৰ লগে লগে সকলো বিবাহ বাধ্যতামূলকভাৱে পঞ্জীয়ন কৰিব লাগিব। ধৰ্মীয় ৰীতি-নীতিৰ স্বাকৃতি হিচাপে সপ্তপদী, আশীৰ্বাদ, নিকাহ, হ'লি ইউনিয়ন, বৈদিক বিবাহ, আহোম চকলং বিবাহ,ব্ৰহ্ম বিবাহ, আনন্দকাৰজ আৰু ইউচিচিত স্পষ্টভাৱে স্বীকৃত অন্যান্য পৰম্পৰাগত ধৰ্মীয় অনুষ্ঠানসমূহ বৈধ হিচাপে গণ্য হ'ব। লিভ-ইন সম্পৰ্কৰ ক্ষেত্ৰত ইউচিচিত কোৱা হৈছে যে অসমত লিভ-ইন সম্পৰ্কক স্বীকৃতি দিয়া হ'ব। অসমৰ নাগৰিক হওক বা নহওক, এনে সম্পৰ্ক উপ-পঞ্জীয়কৰ ওচৰত পঞ্জীয়ন কৰিব লাগিব বাধ্যতামূলকভাৱে। এমাহৰ ভিতৰত পঞ্জীয়ন নকৰিলে তিনি মাহ পৰ্যন্ত কাৰাদণ্ড, ১০ হাজাৰ টকালৈকে জৰিমনা বা দুয়োটা শাস্তি হ'ব পাৰে। পঞ্জীকৃত লিভ-ইন সম্পৰ্কত জন্মগ্ৰহণ কৰা সন্তান স্বয়ংক্ৰিয়ভাৱে বৈধ বুলি গণ্য হ'ব। কোনো পুৰুষে নিজৰ লিভ-ইন সংগী পৰিত্যাগ কৰিলে আদালতৰ জৰিয়তে ভৰণ-পোষণ দাবী কৰিব পাৰিব মহিলাগৰাকীয়ে। উপ-পঞ্জীয়কে প্ৰতিখন ঘোষণা-পত্ৰ স্থানীয় আৰক্ষীলৈ প্ৰেৰণ কৰিব। যদি যিকোনো এজন সংগীৰ বয়স ২২ বছৰৰ তলত হয়, তেন্তে জনোৱা হ'ব অভিভাৱক বা পিতৃ-মাতৃক। ঘনিষ্ঠ আত্মীয়ৰ মাজত, যিকোনো এগৰাকী ইতিমধ্যে বিবাহিত বা আন লিভ-ইন সম্পৰ্কত থাকিলে, যিকোনো এগৰাকী নাবালক হ'লে অথবা বলপূৰ্বক বা প্ৰতাৰণাৰে সন্মতিপ্ৰাপ্ত নহ'লে লিভ-ইন সম্পৰ্ক পঞ্জীয়ন কৰা নহ'ব। ইউচিচিত পুত্ৰ-কন্যাই সমঅধিকাৰ লাভ কৰিব বুলিও স্পষ্ট কৰি দিয়া হৈছে।

# শাৰদীয় দুৰ্গা পূজাক লৈ নীতি

থাকিব লাগিব । কামৰূপ মেট্ৰ' জিলা আয়ুক্ত স্বপ্ননীল পালে কয়, আজি কমিটীসমূহৰ লগত আলোচনা হৈছে । বিগত বৰ্ষত ৫০৬ পূজা মণ্ডপ আছিল । এইবাৰ ৫৫০-৬০০ পূজা মণ্ডপ হোৱাৰ সম্ভাৱনা আছে। পূজা মণ্ডপৰ বাবে কমিটীসমূহে অনলাইন বা অফলাইনযোগে আবেদন কৰিব পাৰিব । তদুপৰি ৰাজহুৱা পথ, পদপথ উপপথ বন্ধ ৰাখি পূজা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পূজা অনুষ্ঠিত কৰিব বিচৰা সমিতিবোৰে স্থানীয় থানাৰ পৰা লিখিত অনুমতি লোৱাটো বাধ্যতামূলক কৰা হৈছে। পূজামণ্ডপত সাংস্কৃতিক অনুষ্ঠান পতাৰ ক্ষেত্ৰতো সমিতিবোৰে আগতীয়াকৈ আৰক্ষীক জনোৱাৰ লগতে প্লাষ্টিক থাৰ্মকল, পলিথিনৰ মূৰ্তি সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। পৰ্যাপ্ত পোহৰ খোৱাপানীৰ ব্যৱস্থা থাকিব লাগিব। ৫৫ ডেচিবেল প্ৰাবল্যৰ ওপৰত মাইক বজাব নোৱাৰিব। তদুপৰি অগ্নি নিৰ্বাপনৰ সম্পূৰ্ণ ব্যৱস্থা মণ্ডপত মজুত থাকিব লাগিব। প্ৰতিটো পূজামণ্ডপৰ এশ মিটাৰত গাড়ী পাৰ্কিং নিষিদ্ধ কৰাৰ লগতে সমিতিসমূহে মণ্ডপত মোতায়েন কৰা স্বেচ্ছাসেৱকৰ নাম, ফোন নম্বৰ থানাত জমা দিব লাগিব। পূজামণ্ডপত সুৰা-গুটখা নিষিদ্ধ কৰাৰ লগতে মণ্ডপৰ সমীপত ফটকা ফুটোৱাৰ ক্ষেত্ৰতো নিষেধজ্ঞা আৰোপ কৰিছে আৰক্ষীয়ে। তদুপৰি মণ্ডপৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ ক্ষেত্ৰতো সমিতিবোৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আনহাতে প্ৰতিমা বিসৰ্জনৰ ক্ষেত্ৰতো মহানগৰ আৰক্ষী তথা জিলা প্ৰশাসনে কেতবোৰ নীতি নিয়ম নিৰ্ধাৰণ কৰিছে। বিসৰ্জনৰ সময়ত প্ৰতিমাৰ সৈতে প্লাষ্টিক কাপোৰ নদীত পেলাব নোৱাৰিব। এখন পূজা সমিতিৰ পাঁচজন ব্যক্তিয়েহে প্ৰতিমা বিসৰ্জনৰ সময়ত যাব পাৰিব। তদুপৰি বিসৰ্জনথলীলৈ পৃথক পৃথক গাড়ীত প্ৰতিমা অনাৰ পৰিৱৰ্তে একেখন গাড়ীত পৰাপক্ষত প্ৰতিমাসমূহ অনাৰ বাবে সমিতিবোৰক আহ্বান জনাইছে। প্ৰশাসনে। গণেশগুৰি, ফটাশিল আৰু বামুণীমৈদামৰ দিশৰ পৰা অহা পূজাৰ প্ৰতিমা কঢ়িওৱা গাড়ীসমূহ উৰণ সেতুৰ ওপৰেদি আহিব লাগিব। মহানগৰ আৰক্ষীৰ যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনে প্ৰশাসনে জাৰি কৰা নিয়মসমূহ কঠোৰভাৱে পালন কৰিবলৈ সকলোকে আহ্বান জনাইছে। যদিহে কোনোবাই নিয়ম ভংগ কৰি অপ্ৰীতিকৰ পৰিৱেশৰ সৃচনা কৰে তেন্তে তেনে লোকক জে'ললৈ প্ৰেৰণ কৰা হ'ব বুলিও তেওঁ লগতে কয়।

# ২, ০০০ টকালৈ বৃদ্ধি হ'ব

কৰিবলৈ দিছপুৰৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ আত্মবিশ্বাস অধিক বৃদ্ধি কৰিব। মুখ্যমন্ত্ৰীয়ে অনাগত সময়ত অৰুণোদয় আঁচনিৰ ধনৰ পৰিমাণ ২, ০০০ টকালৈ বৃদ্ধি কৰাৰ কথাও ঘোষণা কৰে। তেওঁ কয়- কংগ্ৰেছ চৰকাৰৰ দিনত ধনৰ বিনিময়ত চৰকাৰী চাকৰি দিয়াৰ বিপৰীতে বিজেপি চৰকাৰে যোৱা কাৰ্যকালত মেধাৰ ভিত্তিত ১.৬০ লাখ যুবক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তি দিছিল। বিজেপি চৰকাৰৰ দিনতে ৰূপহী সমষ্টিৰো বহু যোগ্য প্ৰাৰ্থীয়ে এটকাও ঘোচ নিদিয়াকৈ চৰকাৰী চাকৰি পাইছে। কংগ্ৰেছ দল ৫০ বছৰলৈ শাসনলৈ নাহে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড' শৰ্মাই কয়- এই নিৰ্বাচনত বিজেপি জয় হ'লে কংগ্ৰেছ একেবাৰে অস্তিত্বহীন হৈ পৰিব। জুৰীয়া কলেজত বিজ্ঞান শাখা স্থাপন, সমষ্টিটোত এখন ষ্টেডিয়াম নিৰ্মাণ, যোগ্য সকলো হিতাধিকাৰীক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰাকে ধৰি মুখ্যমন্ত্ৰীয়ে কেইবাটাও প্ৰতিশ্ৰুতি প্ৰদান কৰে। আনহাতে, চামগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত বেলতলীত অনুষ্ঠিত জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত কয় যে কংগ্ৰেছ নেতা ৰকিবুল হুছেইনৰ বাবে সমষ্টিটোৰ বহু মহিলাই অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত হোৱা নাই। সমষ্টিটোক ৰকিবুল হুছেইনৰ পৰিয়ালৰ গ্ৰাসৰ পৰা মুক্ত কৰিবলৈ এই নিৰ্বাচনত বিজেপি প্ৰাৰ্থীক জয় কৰাবলৈ তেওঁ আহ্বান জনায়। ইয়াৰ পিছতে লাহৰীঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত তিনিচুকীয়াৰ ৰাজীৱ গান্ধী খেলপথাৰত আয়োজিত আন এক জনাকীৰ্ণ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি ভাষণত মুখ্যমন্ত্ৰী ড' শৰ্মাই লাহৰীঘাট বিধানসভা সমষ্টিৰ বাদ পৰি যোৱা মহিলাসকলক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ব বুলি ঘোষণা কৰে। তদুপৰি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ পৰৱৰ্তী কিস্তি প্ৰদান, মাটিৰ পট্টা প্ৰদান, মথাউৰি নিৰ্মাণ আদিৰ বাবে বিজেপি প্ৰাৰ্থীগৰাকীক জয় কৰাবলৈ তেওঁ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে অক্টোবৰ মাহত অৰুণোদয়ৰ ধন ১, ২৫০ টকাৰ পৰা ১, ৫০০ টকালৈ বৃদ্ধি কৰাৰ কথা উল্লেখ কৰি কয় যে লাহৰীঘাট সমষ্টিৰ বাদ পৰি যোৱা যোগ্য মহিলাসকলক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ব।

# অন্তিমখন এদিনীয়াত ৫ উইকেটত পৰাস্ত ভাৰত



ৰঙিলী বাৰ্ত্তাসেৱা- তিনিখন খেলৰ এদিনীয়া শৃংখলাৰ প্ৰথম দুখন এদিনীয়াত জয়ী হৈ শৃংখলাটো দখল কৰা ভাৰতীয় দলটোৱে শনিবাৰে তৃতীয়খন তথা অন্তিমখন এদিনীয়াত ৱেষ্ট ইণ্ডিজৰ হাতত পৰাস্ত হয়। অধিনায়ক শ্বাই হোপৰ অপৰাজিত ১৬২ ৰানেৰে ৱেষ্ট ইণ্ডিজে ভাৰতক ৫ উইকেটত পৰাস্ত কৰে। নিউ চণ্ডীগড়ৰ মুলনপুৰৰ মহাৰাজা যাদবীন্দ্ৰ সিং ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ভাৰতীয় অধিনায়ক শুভমন গিলে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰিবলৈ বাছি লয়। প্ৰথমে বেটিং কৰি টীম ইণ্ডিয়াই ৫০ অভাৰত ৭টা উইকেট হেৰুৱাই ৩৫২ ৰান সংগ্ৰহ কৰে । ইয়াৰ উত্তৰত ৱেষ্ট ইণ্ডিজে ৪৮.৪ অভাৰত এই লক্ষ্যত উপনীত হয়। এদিনীয়া ক্ৰিকেট ইতিহাসত এইটো ৱেষ্ট ইণ্ডিজৰ সৰ্বাধিক ৰাণ চেজ। মেচখনত কে এল ৰাহুলে ভাৰতৰ হৈ শতক অৰ্জন কৰি ১২৯ ৰানত অপৰাজিত হৈ থাকে। ৰোহিত শৰ্মাইও ৯২ ৰানৰ ইনিংছ খেলিছিল ।প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লোৱা ভাৰতীয় দলৰ আৰম্ভণি আছিল বিপৰ্যয়জনক। অধিনায়ক গিলে ৰ আৰু কোহলিয়ে কোনো ৰান নকৰাকৈ বিদায় লয়। ইয়াৰ পাছতে ৰোহিত শৰ্মাই ৯২ ৰান আৰু ৰুতুৰাজ গাইকোৱাডে ৫৭ ৰানৰ এক চমৎকাৰ অংশীদাৰিত্বৰে ইনিংছ স্থিৰ কৰে । তাৰ পিছত কে এল ৰাহুলে দায়িত্ব ল'লে আৰু নিজৰ ধুমুহাময় বেটিঙেৰে ৮৭টা বলত অপৰাজিত ১২৯ ৰাণ সংগ্ৰহ কৰে । তেওঁ নিজৰ ইনিংছত ১০টা চাৰি আৰু ৭টা ছয় মাৰে ইয়াৰ উপৰিও নমন ধীৰে ৩০, অংশুল কম্বোজ ১৭, নীতিশ ৰেড্ডী ৯ আৰু গুৰনুৰ ব্ৰাৰে অপৰাজিত ৮ ৰাণ সংগ্ৰহ কৰে । ৱেষ্ট ইণ্ডিজৰ হৈ বলিং কৰি জেডেন ছিলছে ৩টা, কিমো পলে ২টা আৰু গুদাকেশ মটিয়ে ১টা উইকেট দখল কৰে । ভাৰতে নিৰ্ধাৰণ কৰি দিয়া লক্ষ্য অনুসৰণ কৰি ৱেষ্ট ইণ্ডিজৰ অধিনায়ক শ্বাই হোপে অ'পেনাৰ জুৰেল এণ্ড্ৰুজৰ আঘাতৰ বাবে ইনিংছ মুকলি কৰিবলৈ আহে । তেওঁ আৰম্ভণিৰে পৰা ভাৰতীয় বলাৰৰ ওপৰত হেঁচা ৰাখিছিল । হোপে ১৭টা চাৰি আৰু ৩টা ছয়েৰে ১৪৩ বলত ১৬২ ৰাণ সংগ্ৰহ কৰি অপৰাজিত ইনিংছ খেলিছিল। এদিনীয়া ক্ৰিকেটত এয়া তেওঁৰ দ্বিতীয় সৰ্বাধিক স্ক'ৰ ।

# এছিয়ান গেমছত

গ'ল স্ক'ৰ কৰি ভাৰতীয় দলটোক ৩-১ গ'লত অগ্ৰগতি প্ৰদান কৰাৰ পিছত ৫৪ মিনিটত শিলানন্দ লাক্ৰাই ব্যৱধান ৪-১লৈ বৃদ্ধি কৰে। খেল শেষ হ'বলৈ তিনি মিনিট বাকী থকা অৱস্থাত অধিনায়ক হৰমনপ্ৰীত সিঙে ব্যক্তিগতভাৱে দ্বিতীয়টো গ'ল স্ক'ৰ কৰি ভাৰতীয় দলটোক ৫-১ গ'লত জয়ৰ সোৱাদ দিয়ে। উল্লেখ্য যে ভাৰতীয় পুৰুষ দলটোৱে এতিয়ালৈকে এছিয়ান গেমছত পঞ্চমবাৰৰ বাবে স্বৰ্ণপদক লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পূৰ্বে ১৯৬৬, ১৯৯৮, ২০১৪ আৰু ২০২২ চনৰ এছিয়ান গেমছত স্বৰ্ণ পদক লাভ কৰিছিল। ইপিনে, ভাৰতীয় পুৰুষ দলটোৱে এছিয়ান গেমছত ৯বাৰ ৰূপৰ পদক আৰু তিনিবাৰ ব্ৰঞ্জৰ পদকো লাভ কৰিছিল।

# নেছলে কোম্পানীৰ

সকলক এই সম্পৰ্কীয় চৰকাৰী তথ্য মানি চলিবলৈ কোৱা হৈছে। কোনোবাই পণ্য (বিশেষকৈ প্ৰভাৱিত বেটছৰ পণ্য) কিনা বা খোৱাৰ পূৰ্বে তাৰ তথ্য চালিজাৰি চোৱাৰো আবেদন জনোৱা হয় ক্ৰেতাসকলৰ প্ৰতি। এই ঘটনাটোৱে পেকেটজাত খাদ্য পণ্য পৰীক্ষা আৰু নিৰ্ধাৰিত নিৰাপত্তা তথা গুণমানৰ মানদণ্ড পূৰণত ব্যৰ্থ হ'লে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত খাদ্য নিৰাপত্তা কৰ্তৃপক্ষৰ গুৰুত্বপূৰ্ণ ভূমিকা তুলি ধৰে।

# জ্ঞানেশ কুমাৰৰ পদত্যাগৰ

পদত্যাগৰ দাবীত পৰৱৰ্তী পৰ্যায়ত কলকাতা, বেংগালুৰু আৰু গোৱাত অনুষ্ঠিত হ'ব 'জে'ল ভৰো' কাৰ্যসূচী। দীপকেই আৰু জনোৱা মতে চলিত মাহৰ শেষৰফালে তেওঁলোকে পুনৰ যন্তৰ মন্তৰত আন্দোলনত নামিব। জ্ঞানেশ কুমাৰে পদত্যাগ নকৰা পৰ্যন্ত এই আন্দোলন চলি থাকিব বুলিও তেওঁ প্ৰকাশ কৰে। চিজেপিয়ে লগতে এই কথাও কয় যে এই আন্দোলনটোৰ স্বতন্ত্ৰতা বজাই ৰাখিবলৈ অহা ৬ অক্টোবৰত নিৰ্বাচন আয়োগৰ বিৰুদ্ধে বিৰোধী পক্ষৰ প্ৰতিবাদী কাৰ্যসূচীত চিজেপিয়ে যোগদান নকৰে। আনহাতে সমান্তৰালভাৱে মুম্বাইত চলিছে চিজেপিবিৰোধী বিক্ষোভ। এই বিক্ষোভত যোগদান কৰা জনতাই অভিজিৎ দীপকে আৰু অন্যান্য চিজেপি নেতা-কৰ্মীৰ বিৰুদ্ধে ব্যাপক শ্ল'গান দিয়ে। বিক্ষোভ কাৰীসকলে নিজকে 'জেন নেক্সক মুম্বাই'ৰ সদস্য বুলি পৰিচয় দিয়ে।

## ENGLISH NEWS SECTION

# Governor calls for cleanliness to become a way of life on Swachh Bharat Diwas



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya attended the Swachh Bharat Diwas 2026 at Srimanta Sankardeva International Auditorium in Guwahati on the occasion of Gandhi Jayanti. Speaking on the occasion, Governor Shri Acharya paid homage to Father of the nation Mahatma Gandhi and underscored that cleanliness is deeply rooted in India's cultural traditions and is essential for a healthy and responsible society. Highlighting the progress made through the Swachh Bharat Abhiyan launched in 2014, Shri Acharya said that public awareness about cleanliness has grown significantly, while stressing that much more remains to be done. He called for the participation of every section of society to make cleanliness a sustained habit rather than an activity limited to a particular day or campaign. The Governor expressed special appreciation for sanitation workers, acknowledging their daily contribution to keeping roads and public spaces clean, and underlined the collective responsibility to ensure their welfare and dignity. He also called upon the youth to play a greater role in cleanliness and environmental initiatives. "The journey towards cleanliness must begin with ourselves," as he urged the citizens to extend the same spirit of cleanliness from their homes to public spaces. During the programme, the Governor also launched the Swachh Durga Puja Competition. MP Dilip Saikia, MLA Vijay Gupta, Mayor GMC Mrigen Sarania, Deputy Mayor Smita Roy, Chief Secretary Dr Ravi Kota, CGM State Bank of India Atul Rathi, senior government officials, representatives of voluntary organisations, sanitation workers and other dignitaries were present at the event.

# Governor concludes Nasha Mukt Bharat Sankalp Padayatra fortnight in Guwahati

Guwahati,RB: The Nasha Mukt Bharat Sankalp Padayatra led by Assam Governor Shri Lakshman Prasad Acharya culminated today in Kamrup (M), Guwahati, with hundreds of students, youth volunteers, NCC and NSS cadets, scouts and guides, ex-servicemen, social organisation representatives, civil society members, officials and citizens joining the Governor in the campaign against drug abuse. It may be mentioned that the Padayatra, which began on September 17 at Cachar covered ten districts namely Cachar, Sribhumi, Dibrugarh, Tinsukia, Dhubri, Barpeta, Diphu, Hojai, Kamrup and Kamrup(M) carrying the message of ill effects of substance abuse by generating awareness and collective responsibility in the fight against drugs. Addressing a gathering at the District Library, Guwahati, the Governor said that the Nasha Mukt Bharat Sankalp Padayatra was not just a journey of public awareness, i was a collective resolve of Assam towards building a healthy, value-based and empowered society. Recalling the life and teachings of Mahatma Gandhi, Shri Acharya emphasised the importance of truth, self-restraint, cleanliness, discipline and service in building a strong society. He also paid tribute to former Prime Minister Lal Bahadur Shastri whose birth anniversary is observed today, recalling his ideals of simplicity, integrity, discipline and dedication to the nation. The Governor said that the lives of both Mahatma Gandhi and Lal Bahadur Shastri continue to inspire citizens to place duty, service and national interest above self.




# Aman Sehrawat won gold medal at Asian Games



RB News: Aman Sehrawat finally changed the colour of his Asian Games medal, clinching the men's 57kg gold after edging out North Korea's world champion Chong Song Han 11-7 in a fierce final in Nagoya on Saturday. This is Aman's second Asian Games medal. He had won bronze in the same category at the Hangzhou 2022 edition. He had to manage his strategy carefully, particularly after being placed on the activity clock early in the bout. Once he found his rhythm, Aman executed a successful takedown, allowing him to establish a lead of 4-1, followed by another attack that further extended his advantage to 6-1. Despite Han receiving treatment for a knee issue, he returned to the match with renewed energy, briefly taking a 7-6 lead. Aman previously demonstrated his skills in the tournament by defeating Tajikistan's Aiaal Belolyubskii 14-8 in the semifinals after opening his campaign with a dominant 20-9 victory over Japan's Yamato Ogawa.

# India clinch gold in men's cricket after beating Pakistan by 19 runs



RB News: India defeated Pakistan by 19 runs in the men's cricket final to bag gold medal at Asian Games 2026. It is India's second consecutive gold medal in men's cricket at Asian Games. Batting first, India posted a strong total of 211 for 6 in 20 overs at Korogi Sports Park. Abhishek Sharma led the innings with a quick 61, while Tilak Varma remained unbeaten on 51 to give India a big total on a good batting pitch. Pakistan started its chase with intent but could manage 192 for 6 in their 20 overs. Hasan Nawaz kept Pakistan in the contest with a superb 96 off 50 balls, including seven sixes and five fours. However, India held its nerve in the closing stages to secure a 19-run win. Axar Patel was among India's key bowlers, finishing with two wickets for 29 runs.

# দুই অক্টোবৰে সোঁৱৰাই গান্ধীৰ জীৱনৰ কথা



“মোৰ মাজত কিবা যদি পৱিত্ৰতা থকা বুলি মন কৰিছা সেয়া মোৰ মাতৃৰ পৰা উত্তৰাধিকাৰী হিচাপে পাইছো পিতৃৰ পৰা নহয় ” গান্ধীৰ এই বাক্যই মাতৃভক্তিৰ কথা প্ৰমাণ কৰে। প্ৰাথমিক স্কুলত পঢ়ি থকাৰ সময়ত মোহনদাস কৰমচাদ গান্ধীক ভোটা বুদ্ধি আৰু লাজকুৰীয়া স্বভাৱে লগ সংগৰ পৰা কিছু নিলগত ৰাখিছিল। তেওঁৰ স্কুলীয়া জীৱনৰ ব্যতিক্ৰম স্বৰূপ যিটো ঘটনাক তেওঁৰ নৈতিক সচেতনতাৰ নিদৰ্শনৰ তাৎপৰ্য্য পূৰ্ণ বুলি ধৰিব পাৰি। সেইটো ঘটিছিল তেওঁলোকৰ শ্ৰেণীত শিক্ষা বিভাগীয় পৰিদৰ্শকে পৰিদৰ্শন কৰিবলৈ আহি বানানৰ পৰীক্ষা লওঁতে ‘কেটেঞ্জল’ শব্দটোৰ বানানটো গান্ধীয়ে ভুল কৰা দেখি শ্ৰেণী শিক্ষকে ভৰিৰ বুঢ়া আঙুলিৰে ইংগিত দিলে যে ওচৰৰ লৰা জনৰ পৰা চাই বানানটো শুদ্ধ কৰি লিখিব লাগে। কিন্তু মোহন দাস আছিল আকোঁৰগোজ। সেই ইংগিতলৈ আওঁকান কৰিলে। পিছত তেওঁ সেই কথাৰ বাবে তিৰস্কাৰ পাবলগীয়াও হল। তেতিয়াই গান্ধীয়ে কৈছিল নকল কৰা বৃত্তি মই কেতিয়াও শিকিব পৰা নাছিলোঁ।

অবশ্যে শ্ৰেণীৰ বাহিৰত ভয়াতুৰ যেন লগা লৰাটো নৈতিক অভিযানৰ ক্ষেত্ৰত বিপদৰ সন্মুখীন হবলৈ ভয় নকৰাৰ প্ৰমাণ পোৱা যায়। তেওঁৰ ককায়েকৰ মুছলমান বন্ধু শ্বেখ মহতাবে মোহনক পতিয়ন নিয়ালে যে ইংৰাজ সকলে জন্তুৰ মঙহ খোৱা বাবে হে অসীম শক্তি প্ৰদান কৰি নিশকটিয়া ভাৰতীয় সকলক শাসন কৰিবলৈ পাৰিছে। সেয়ে গোৱা নিৰামিষ ভোজী মোহনেও মনে মনে হোটেললৈ গৈ মঙহ ভক্ষণ কৰিছিল। এয়া যেন তেওঁৰ জীৱনৰ দেশপ্ৰেমৰ প্ৰথম নিদৰ্শন। ডাঙৰে খাই দলিয়াই দিয়া চিগাৰেটৰ টুকুৰা হোপা আৰু উত্তেজনাৰ ভৰপক উঠিলে চিগাৰেট খাবৰ বাবে লগুৱাৰ পৰা পইচা চুৰ কৰা। ভ্ৰাতৃৰ হাতত পিন্ধা অংকাৰৰ এটুকুৰা সোণ মনে মনে ছিঙি নি বিক্ৰি কৰা এইবোৰ ঘটনাই প্ৰমাণ কৰে ছাত্ৰ জীৱনত গান্ধীয়েও ভুল পথৰ স্বীকাৰ হৈছিল। পিছলৈ দেউতাকলৈ চিঠি লিখি স্বীকাৰোক্তি কৰি তাৰ জোখাৰে শাস্তি দিবলৈ কৈছিল। কিন্তু কথাখিনি পঢ়াৰ পিছত তেওঁৰ চকুলোৰে চিঠিখনকে তিয়াই পেলালে।

লণ্ডনলৈ যাবলৈ ইচ্ছা প্ৰকাশ কৰাত মাতৃয়ে ইচ্ছা নকৰাৰ বাবে তেওঁ মাতৃৰ ওচৰত শপত লৈছিল যে, তেওঁ মদ, মাংস আৰু নাৰী এই তিনিটা বস্তু স্পৰ্শ নকৰে। ১৮৮৮ চনৰ ৪ ছেপ্তেম্বৰত তেওঁ ছাউডাম্পটলৈ যাবলৈ বুলি জাহাজত উঠিল। তেতিয়া তেওঁৰ বয়স আছিল মাত্ৰ ১৮ বছৰ। লণ্ডনলৈ গৈ প্ৰথম অৱস্থাত যদিও নিজৰ ঘৰ পৰিয়াল আৰু দেশৰ কথা বাৰে বাৰে মনলৈ আহিছিল, পিছলৈ তেওঁ ইংৰাজ সকলক অনুকৰণ কৰি নতুন কানি কাপোৰ, ৰেচমী টুপী, বগ ষ্ট্ৰিটত তৈয়াৰী সান্ধ্যা সাজ, আৰু দুডাল সোণৰ শিকলী লগোৱা ঘড়ী লোকে দেখাকৈ পিন্ধি লৈ ফুৰিলে। ফৰাচী ভাষাৰ পাঠ ললে, বলৰুমত নাচ শিকিবলৈ গ’ল। ইমানবোৰ কৰাৰ পিছতো কিন্তু তেওঁক অচিৰেই প্ৰকৃত গান্ধীজনৰ প্ৰতিবিম্বই আমনি কৰিলে। তেওঁ উপলব্ধি কৰিলে যদি নিজৰ চৰিত্ৰ আৰু গুণৰ বলত এজন ভদ্ৰলোক হব নোৱাৰে তেন্তে এনে আকাংক্ষা কৰাৰ পৰা বিৰত থকাই ভাল। তিনিবছৰৰ অন্তত আইনৰ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৮৯১ চনত ১১জুনৰ দিনা উচ্চ ন্যালয়ত ওকালতিৰ বাবে নাম পঞ্জীয়ন কৰি ঘৰমুৱা হল। ডেকা গান্ধীয়ে জাত-কুল ধৰ্মান্ধতা অৰ্থ হীন ক্ৰিয়া কৰ্ম বিশ্বাস কৰা নাছিল। ককায়েকে যে ধন ধাৰলৈ লৈ তেওঁক লণ্ডনলৈ পথাইছিল তেওঁ উলটি আহি বুজিছিল। ৰাজকোটত ওকালতি কৰি প্ৰচুৰ ধন ঘটাৰ সম্ভাৱনা কম বাবে তেওঁ বেৰিষ্টাৰ ৰূপে ওকালতি কৰিবলৈ বোম্বাইলৈ যায়।

নিজৰ দেশৰ মানুহৰ দুৰ্গতি দেখি প্ৰেট’ৰিয়াত উপস্থিত হৈ তেওঁৰ মক্কেলৰ প্ৰতিনিধিসকলৰ লগত আৱশ্যকীয় যোগাযোগ কৰি ভাৰতীয় সম্প্ৰদায়ৰ সভা এখন আৰম্ভ কৰিলে। সেইখন তেওঁৰ জীৱনৰ ৰাজহুৱা প্ৰথম সভা আছিল। বৃটিছ সকলৰ ৰাজত্ব ভাৰতীয় সকলৰ ওপৰত তুলি দিয়া কৰ আৰু সমাগত ধুমুহাৰ জোকাৰণিৰ বাবে ভাৰতীয় সকলক একত্ৰিত কৰিছিল। কিন্তু চৰকাৰৰ পৰা ৰাওলাট বিধেয়ক হে উপহাৰ পালে নাগৰীক সকলক জধে মধে গ্ৰেপ্তাৰ আৰু যথাৰ্থ বিচাৰ নোহোৱাকৈ ফাটেক দিয়া হল। ৰাওলাট বিধেয়কেই ভাৰতৰ সক্ৰিয় ৰাজনীতিৰ ধুমুহাৰ লগত গতি কৰিলে। ১৯১৯ চনত ৯ এপ্ৰিলৰ উত্তেজিত জনতাই হিংসাৰ আশ্ৰয় লোৱাত আত্মশুদ্ধিৰ বাবে ব্ৰত কৰাৰ কথা ঘোষনা কৰে গান্ধীয়ে। সেই একেদিনা অমৃতচৰত থকা বৃটিছ সেনা বাহিনীৰ নেতৃত্ব জালিয়ানাবাদত পৰম উপভোগ কৰিবলৈ সমবেত হোৱা নাৰী পুৰুষ সমন্বিতে নীৰস্ত্ৰ জনসমাবেশক জীৱ জন্তুক গুলিয়াই হত্যা কৰাৰ দৰে জনসাধাৰণক গুলিয়াই দিয়াত ৰ, ২০০জন নিহত আৰু ৩৬০০জন আহত হৈছিল বুলি গান্ধীয়ে নিজেই চলোৱা তদন্তত ঘোষনা কৰে। এইদৰে স্বাধীনতা যাত্ৰা পথত চূড়ান্ত পৰ্যায় পাবলৈ ৰক্তৰে ৰঞ্জিত ধূলিৰ ডাৱৰে চকু ধুৱলী কুৱলী কৰিলে। লাখ লাখ নিৰপৰাধী পীড়িত লোকক চেপি চেপি, খুন্দি, ছিন্ন ভিন্ন কৰিলে।

যি বৃটিছ শাসন সেই বৃটিছ শাসন ভাৰতত অন্ত পৰাটো গান্ধীৰ কাৰণে বহু প্ৰত্যাশিত লক্ষ্য আছিল। তেওঁলোকৰ শাসনৰ ভেটি লৰাই দিবলৈ তেওঁ মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। কিন্ত শেষ হোৱাৰ সময়তো তেওঁ সমুলি সুখী হোৱা নাছিল। কাৰণ ভাৰত বিভাজনৰ আন এক সমস্যাই গা কৰি উঠিছিল। গান্ধীয়ে যি ভয় কৰিছিল সেয়াই হল বিভাজনৰ পৰিনতিত তেজৰ নৈ ব’ব বুলি পূৰ্বতে কৰা আশংকা নিকৰুণ ভাবে প্ৰমাণিত হ’ল।

৭৮ বছৰীয়া জন্ম দিনৰ সমগ্ৰ পৃথিৱীৰ পৰা অহা ওলগ-বাৰ্তাত তেওঁ কৈছিল এতিয়া জুই জ্বলি থকা ভাৰত খনত বৰ্তমানৰ ঘটনাৱলী অন্ত পৰক নতুবা ভগৱানে মোক লৈ যাওক। ১২৫ বছৰ বয়সলৈ জীয়াই থাকিব ইচ্ছা সম্পূৰ্ণ ৰূপে নাইকিয়া হল মই ইয়াৰ অসহায় দৰ্শক হৈ থাকিব নিবিচাৰোঁ। এই অসহনীয় যাতনা হৈছে তেওঁৰ নৈতিক সচেতনতা, নিজৰ দেশবাসীৰ প্ৰতি থকা প্ৰেম আৰু দেশবাসীৰ আধ্যাত্মিক পৰম্পৰা প্ৰতি থকা তেওঁৰ গৌৰৱবোধৰ জোখ। তেওঁৰ পৰি অহা স্বাস্থ্য একেৰাহে হৈ থকা কাহ, টোপনিৰ অভাবে আৰু পূৰ্বৰ সকলো যুদ্ধতে জয়লাভ কৰি শেষৰ খনত তেওঁ পৰাজিত হোৱাৰ সচেতনতাই খুলি খুলি মনটো অসুস্থ কৰি তোলিছিল। তেওঁ অনুভৱ কৰিছিল যে তেওঁ সত্য আৰু অহিংসা পালন কৰাৰ ক্ষেত্ৰত কিবা যেন ক্ৰুটী নিহিত হৈ আছে আৰু সেয়ে এনে ফল হৈছে। এনে অশান্ত মনে গান্ধীৰ ওপৰত তীব্ৰ চাপ পেলাইছিল।

মাউণ্টবেটেনৰ প্ৰেছ বিষয়া তেওঁ সাংবাদিক তেওঁ লিখিছিল -গান্ধীয়ে কৰা অনশনৰ কাষৰে- পাজৰে থাকিলেহে আপোনালোকে ইয়াৰ আকৰ্ষণীয় শক্তি সম্পৰ্কে উপলব্ধি কৰিব পাৰিব গান্ধীৰ গোটেই জীৱনটো জনসাধাৰণক কৰা কলাৰ মনোমুগ্ধকৰ অধ্যায়নৰ বিষয় বস্তু। এই ক্ষেত্ৰত তেওঁ লাভ কৰা সফলতাৰ বিচাৰ কৰিলে সৰ্বকালৰ নেতৃত্বৰ ক্ষেত্ৰত সৰ্বশ্ৰেষ্ঠ কলাকাৰ সকলৰ মাজত তেৰোঁ উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে।

**নমিতা দাস, শুৱালকুছি**

## শৰতৰ পূৰ্ণিমাত



**ৰিমী হাজৰিকা, মাজুলী**

আহিনৰ এটি নতুন আবেলি,
আছিল অনেক হাঁহিৰ খিলখিলনি।
আশা-নিৰাশাৰ দোমোজাত ৰৈ
আহিছিল এটি নতুন মায়া হৈ।।
সন্ধিয়া বেলিকা উভটি চাওঁতে,
লাগিছিল নাকত আহি চিনাকি সুবাস।
শেৱালীৰ গোন্ধই আজুৰি আনিছিল
দুখৰ হৃদয়ৰ নতুন হেঁপাহ।।
সেইদিনা আছিল শৰতৰ পূৰ্ণিমা,
চঞ্চলা জোনাকৰ সান্নিধ্যত বহি,
লিখিছিলোঁ তোমাৰ-মোৰ প্ৰেমৰ
এটি সুৰীয়া গীতৰ মালিতা।।
শেৱালীৰ সুবাসে কাণে কাণে কৈছিল
এই ক্ষণ যেন কেতিয়াও হেৰাই নাযায়।
আহিনৰ সেই শাৰদীয় আবেলি
আজিও মোৰ মনতে ৰৈ যায়।।
পূৰ্ণিমাৰ জোনটি যেন সাক্ষী হৈ ৰ’ল
স্মৃতি হৈ ৰ’ল সেই নিৰব নিশাটি।
তুমি-মই আৰু শাৰদীয় জোনাক
এটি আধৰুৱা প্ৰেমৰ কবিতাটি।।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286